Content includes AI-generated material

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

TUESDAY, JANUARY 21, 2025 ■ মঙলবাৰ, ৭ মাঘ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ২৫ Guwahati, Assam ।। মূল্যঃ এটকা

## গুৱাহাটীত ধৰা পৰিল এইচএমপিভি

ই-সংবাদ, ২০ জানুৱাৰীঃ অসমত পুনৰ আন এগৰাকী ৰোগীৰ দেহত ধৰা পৰিছে আতংক সৃষ্টি কৰা ২ পৃষ্ঠাত

**৪৪ শতাংশ ডিফল্টাৰ বৃদ্ধি, চিআৰআইএফৰ প্ৰতিবেদনত উদ্বেগজনক তথ্য**

# দেশত বাঢ়িছে ১০ হাজাৰ টকাৰ ঋণ ঘূৰাব নোৱাৰা লোক

ই-সংবাদ বিশেষ, ২০ জানুৱাৰীঃ তীব্ৰ অৰ্থনৈতিক অস্থিৰতাৰ সন্মুখীন হৈছে ভাৰত। ধনহীন হৈছে দেশৰ সাধাৰণ জনতা। দেশৰ অৰ্থনৈতিক সংকট প্ৰকাশ পাইছে ঋণ গ্ৰহণকাৰীৰ ডিফল্টাৰৰ ২ পৃষ্ঠাত চাওক



## মাছ দিয়া সূৰ্যৰ বাসগৃহত টকাই টকা

ই-সংবাদ, ২০ জানুৱাৰীঃ মাঘ বিহুত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক মাছ উপহাৰ দিয়া দুৰ্নীতিৰ শেষাংশ ৪ পৃষ্ঠাত

## লাচিত সেনাৰ নেতাৰ ৰাজপথত যুৱতীক প্ৰহাৰ

ই-সংবাদ, যোৰহাট, ২০ জানুৱাৰীঃ যোৰহাটত জাতীয় সংগঠনৰ নেতাৰ ৪ পৃষ্ঠাত

## গুৱাহাটীত চোৰলৈ গুলী

ই-সংবাদ, ২০ জানুৱাৰীঃ পাৰ্থ সাৰথি মহন্তই গুৱাহাটীৰ আৰক্ষী আয়ুক্ত হিচাপে দায়িত্ব ৩ পৃষ্ঠাত




## আমেৰিকাত আকৌ ট্ৰাম্প যুগ আৰম্ভ

ৱাশ্বিংটন ডিচি, ২০ জানুৱাৰীঃ আমেৰিকাত আকৌ সোণালী যুগ আৰম্ভ হৈছে। দেশৰ নাগৰিকৰ স্বাৰ্থ ৰক্ষা কৰাটোৱেই হ'ব মোৰ প্ৰথম অগ্ৰাধিকাৰ। আমেৰিকাৰ ৪৭ সংখ্যক ৰাষ্ট্ৰপতি হিচাপে শপত গ্ৰহণ কৰাৰ পিছত সোমবাৰে এই ঘোষণা কৰে ৰাষ্ট্ৰপতি ট্ৰাম্পে। শপত গ্ৰহণ কৰাৰ পিছত আমেৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি বিল ক্লিণ্টন, জৰ্জ ডব্লিউ বুছ, বাৰাক ওবামা আৰু জো বাইডেনক ধন্যবাদ জনাই প্ৰথম ভাষণ প্ৰদান কৰে ট্ৰাম্পে। তেওঁ নিজৰ প্ৰথম ভাষণত কয়, "আজি আমেৰিকাৰ সোণালী যুগৰ আৰম্ভণি হৈছে।"

**ৰায়ত অসন্তুষ্ট ভুক্তভোগীৰ পিতৃ**

## আৰজি কৰ কাণ্ডৰ দোষী সঞ্জয় ৰায়ক বিহিলে যাৱজ্জীৱন কাৰাদণ্ড




কলকাতা, ২০ জানুৱাৰীঃ যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত হ'ল কলকাতাৰ চাঞ্চল্যকৰ আৰ জি মেডিকেল কলেজৰ মহিলা শেষাংশ ২ পৃষ্ঠাত

**সংবাদমেলত ক'লে ভূপেন বৰাই**

## ৰাহুল গান্ধী নহয়, মোহন ভাগৱতৰ বিৰুদ্ধে হ'ব লাগে গোচৰ



গুৱাহাটী, ২০ জানুৱাৰীঃ দেশৰ সংবিধান সুৰক্ষাৰ বাবে নিৰৱিচ্ছিন্নভাৱে সংগ্ৰাম কৰি অহা লোকসভাৰ ৩ পৃষ্ঠাত






## কোৰিয়াৰ পৰা জাপানলৈ হিমন্ত বিশ্ব

ই-সংবাদ, ২০ জানুৱাৰীঃ দক্ষিণ কোৰিয়া ভ্ৰমণৰত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই দেশখনত আজি ৬ পৃষ্ঠাত

## যাৱজ্জীৱন কাৰাদণ্ড দিলে পাঁচ ধৰ্ষকক

ই-সংবাদ, ওদালগুৰি, ২০ জানুৱাৰীঃ ২০২৪ চনৰ ২২ জুন তাৰিখে ওদালগুৰি জিলাৰ মাজবাট ৬ পৃষ্ঠাত

**খানাপাৰাত দুৰ্ভগীয়া শিক্ষকৰ আৰ্তনাদ**

## 'এনকাউণ্টাৰ কৰি আমাক মাৰি পেলাওক'

ই-সংবাদ, ২০ জানুৱাৰীঃ ড০ হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰৰ প্ৰতাৰণাৰ বিৰুদ্ধে আকৌ এবাৰ প্ৰতিবাদত নামিছে ৰাজ্যৰ শিক্ষক সমাজ। ৪ পৃষ্ঠাত



**স্বৰ্গসুখত ৰখাৰ প্ৰতিশ্ৰুতি দিলে বনতাৰাই...**

## অসমৰ হাতী নিয়া নাই! ৰাজ্য চৰকাৰৰ স্পষ্টীকৰণ

ই-সংবাদ, ২০ জানুৱাৰীঃ বিগত কেইবাঘণ্টা ধৰি অসমত হাতী সৰবৰাহক লৈ তীব্ৰ প্ৰতিক্ৰিয়া অব্যাহত আছে। অসমৰ হাতী অৰুণাচলৰ ৫ পৃষ্ঠাত চাওক



প্ৰথম পৃষ্ঠাৰ পৰা...

# দেশত বাঢ়িছে ১০ হাজাৰ টকাৰ ঋণ

সংখ্যা বৃদ্ধি পোৱা তথ্যত। শেহতীয়াকৈ প্ৰকাশ পোৱা তথ্য অনুসৰি, ভাৰতত ক্ষুদ্ৰ ঋণ, অৰ্থাৎ ১০ হাজাৰ টকাতকৈ কম ব্যক্তিগত ঋণ লোৱা সকলৰ মাজত ভয়ংকৰভাৱে বৃদ্ধি পাইছে ঋণ পৰিশোধ নকৰাৰ প্ৰৱণতা। বিশেষকৈ বিগত এটা বছৰত অৰ্থাৎ ২০২৩ চনৰ ডিচেম্বৰৰ পৰা ২০২৪ চনৰ জুন মাহৰ ভিতৰত ঋণ পৰিশোধ নকৰা লোকৰ সংখ্যা যথেষ্ট বৃদ্ধি পাইছে। ২০২৫ চনৰ ছেপ্টেম্বৰৰ ত্ৰিমাসিক তথ্য অনুসৰি ঋণ পৰিশোধ নকৰাৰ হাৰ দ্ৰুতগতিত বৃদ্ধি পাইছে। ভাৰতীয় চি আৰ আই এফ হাই মাৰ্ক আৰু ডিজিটেল ঋণদাতা সংস্থাই প্ৰকাশ কৰা ফিনটেক বেৰ'মিটাৰ (দ্বিতীয় খণ্ড) প্ৰতিবেদনত প্ৰকাশ পাইছে যে ২০২৩ চনৰ ডিচেম্বৰৰ পৰা ২০২৪ চনৰ জুন মাহৰ ভিতৰত ব্যক্তিগত ঋণৰ ডিফল্টৰ হাৰ ৪৪ শতাংশ বৃদ্ধি পাইছে। লক্ষ্যণীয় যে, মানুহক ক্ষুদ্ৰ ঋণ প্ৰদানৰ ক্ষেত্ৰত শীৰ্ষত আছে নন-বেংকিং ফাইনেন্সিয়েল কোম্পানী বা চমুকৈ এনবিএফচি সমূহ। বেংকৰ পৰা ঋণ লোৱাত অসুবিধাৰ সন্মুখীন হোৱা অঞ্চলত এনবিএফচিয়ে ঋণ সহজে উপলব্ধ কৰি তুলিছে। মোবাইল এপৰ জৰিয়তে ঘৰৰ পৰাই ঋণ লোৱাৰ প্ৰক্ৰিয়া সহজ হৈ পৰাত ক্ষুদ্ৰ টিকট ঋণৰ চাহিদা বৃদ্ধি পাইছে। ফলত এনবিএফচিয়ে মূল্য আৰু পৰিমাণ দুয়োটাতে বজাৰ অংশীদাৰিত্ব বৃদ্ধি কৰিবলৈ সক্ষম হৈছে। টাইমছ অৱ ইণ্ডিয়াৰ এক প্ৰতিবেদন অনুসৰি অসুৰক্ষিত ব্যৱসায়িক ঋণ আৰু সম্পত্তিৰ বিপৰীতে ঋণত ১০ লাখ টকাৰ তলৰ ঋণৰ চাহিদা স্থিৰ হৈ আছে। ডাঙৰ চহৰৰ বাহিৰৰ সৰু চহৰ আৰু গ্ৰাম্য অঞ্চলৰ লোকসকলে ঋণৰ মূল্যৰ ৪২ শতাংশ আৰু পৰিমাণৰ ৪৪ শতাংশ অৱদান আগবঢ়াইছে। একে সময়তে উচ্চ বিপদজনক ঋণ পৰ্টফলিঅ'ত সামান্য হ্ৰাস পোৱাৰ বিপৰীতে কম ক্ৰেডিট স্ক'ৰ থকা আৰু কম মূল্যৰ ঋণ লোৱা লোকৰ সংখ্যা যথেষ্ট বৃদ্ধি পাইছে। ঋণ লৈ পৰিশোধ নকৰা লোকৰ এনে উদ্বেগজনক বৃদ্ধিৰ কাৰণ মানুহৰ অৰ্থনৈতিক অস্থিৰতা বুলি মন্তব্য কৰিছে বিশেষজ্ঞসকলে। চি আৰ আই এফ হাই মাৰ্কৰ পূৰ্ণকালীন সঞ্চালক শুভ্ৰাংশু চেটাৰ্জীয়ে কয়, "অৰ্থনৈতিক অস্থিৰতা আৰু বজাৰৰ প্ৰতিকূল পৰিস্থিতিৰ বাবে নতুন ঋণৰ বৃদ্ধি মন্থৰ হৈছে। ইয়াৰ ফলত ২০২৪ চনৰ মাৰ্চ মাহৰ পিছত ঋণৰ ডিফল্ট বৃদ্ধি পাইছে।" তেওঁ ঘৰুৱা ঋণৰ বৃদ্ধিৰ প্ৰতি উদ্বেগ ব্যক্ত কৰা ২০২৪ চনৰ ৩০ ডিচেম্বৰত প্ৰকাশিত আৰবিআইৰ বিত্তীয় স্থিতিশীলতা প্ৰতিবেদনৰ কথাও উল্লেখ কৰে। এই প্ৰতিবেদনে এতিয়া উদ্বেগৰ সৃষ্টি কৰিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# আৰজি কৰ কাণ্ডৰ দোষী সঞ্জয় ৰায়ক

চিকিৎসকৰ ধৰ্ষণ-হত্যা গোচৰৰ দোষী সঞ্জয় ৰায়ক। দেশ জোকাৰি যোৱা এই নৃশংস কাণ্ডৰ একমাত্ৰ অভিযুক্ত সঞ্জয় ৰায়ক শনিবাৰে দোষী সাব্যস্ত কৰিছিল শিয়ালদাহ আদালতে। ইয়াৰ পিছতে আজি ন্যায়াধীশ অনিৰ্বান দাসে সঞ্জয়ক যাৱজ্জীৱন কাৰাদণ্ডৰ শাস্তি বিহে। ইফালে আদালতত এই ধৰ্ষণ-হত্যা কাণ্ড আটাইতকৈ বিৰল বুলি দাবী দোষীৰ মৃত্যুদণ্ডৰ শাস্তি দাবী জনায় চিবিআইৰ অধিবক্তাই। কিন্তু ন্যায়াধীশ অনিৰ্বান দাসে এই ঘটনাক বিৰলতম বুলি মানি ল'বলৈ অস্বীকাৰ কৰি সঞ্জয় ৰায়ক যাৱজ্জীৱন কাৰাদণ্ড বিহে। পুৱা আদালতৰ শুনানি আৰম্ভ হোৱাৰ পিছত কাঠগড়াত থিয় হৈ পুনৰ এবাৰ নিজকে নিৰ্দোষী বুলি কয় দোষীয়ে। সঞ্জয় ৰায়ে কয়, "ছাৰ, মই এনেকুৱা একো কৰা নাই। মোক ফচোৱা হৈছে।" কিন্তু ন্যায়াধীশে ধমক দি কয় যে সকলো তথ্য-প্ৰমাণৰ ভিত্তিত তেওঁক দোষী সাব্যস্ত কৰা হৈছে। ন্যায়াধীশ দাসে কয়, "বাৰে বাৰে কেৱল নিৰ্দোষী বুলি কৈ থকাতকৈ যদি পাৰে নিৰ্দোষিতা প্ৰমাণ কৰক।" ইয়াৰ পিছতে প্ৰথমে ডেৰ ঘণ্টা শুনানি গ্ৰহণ কৰি ন্যায়াধীশে আদালত স্থগিত ৰাখে। পৰৱৰ্তী সময়ত ২.৪৫ বজাত আদালত পুনৰ আৰম্ভ হোৱাৰ পিছতে দোষী সঞ্জয় ৰায়ৰ শাস্তি ঘোষণা কৰা হয়। ইফালে, আদালতৰ এই ৰায়ৰ পিছতো তেওঁৰ মক্কেল নিৰ্দোষী বুলি দাবী কৰে সঞ্জয় ৰায়ৰ অধিবক্তা সেঁজুতি চক্ৰৱৰ্তীয়ে। নিম্ন আদালতৰ প্ৰত্যাহ্বান জনাই উচ্চ ন্যায়ালয়ত আবেদন জনাব বুলিও তেওঁ মন্তব্য কৰে। আজি অপৰাধীৰ শাস্তি ঘোষণাৰ সময়ত আদালতত উপস্থিত থকা ভুক্তভোগী মহিলা চিকিৎসকগৰাকীৰ পিতৃ-মাতৃয়ে সঞ্জয়ৰ ফাঁচীৰ দাবী জনায়। একে সময়তে তেওঁলোকৰ কন্যাৰ হত্যাৰ সৈতে কমেও পঞ্চাশ জন লোক জড়িত থকা বুলি দাবী কৰে পিতৃ-মাতৃয়ে। ভুক্তভোগীৰ পিতৃয়ে কয়, "মোৰ ছোৱালীজনীক মাৰি পেলোৱা আটাইকেইটা পাষণ্ডৰ শাস্তিৰ বাবে আমি যুঁজিম।" আনহাতে সঞ্জয় ৰায়ৰ শাস্তি ঘোষণাৰ পিছত বিভিন্নজনে প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে। বংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে কয়, ""আৰম্ভণিৰ পৰাই আমি ফাঁচীৰ দাবী জনাইছো, আৰু আজিও আমি একেই দাবী কৰিছো। মই নিজৰ বা মোৰ দলৰ হৈ কথা ক'ব পাৰো, ৫২-৫৪ দিনৰ ভিতৰত ৩টা গোচৰত আমি মৃত্যুদণ্ডৰ শাস্তি দিছো। ৰায়দানৰ বিষয়ে মই একো নকওঁ। আমাৰ হাতত গোচৰটো থাকিলে বহু আগতেই আমি ফাঁচীৰ নিৰ্দেশ দিব পাৰিলোহেঁতেন। কেনেকৈ হ'ল নাজানো। চিবিআইয়ে কৰিছে সবিশেষ। আমাৰ পৰা ইচ্ছাকৃতভাৱে গোচৰটো কাঢ়ি লোৱা হৈছে।" মুখ্যমন্ত্ৰীয়ে সঞ্জয়ক 'নৰপিশাচ' বুলি অভিহিত কৰে। তৃণমূল কংগ্ৰেছৰ নেতা অভিষেক বেনাৰ্জীয়ে অপৰাধীৰ ফাঁচী হোৱা উচিত বুলি মন্তব্য কৰে। তেওঁ কয় যে, সাধাৰণ জনতাৰ কৰৰ টকাৰে জেলৰ ভিতৰত তাক খুৱাই বোৱাই ৰখাটো সঠিক নহয়। তাতকৈ মৃত্যুদণ্ডৰ শাস্তি প্ৰদান কৰা হ'লে অন্ততঃ ৰাইজৰ টকা সৎ কামত ব্যৱহাৰ কৰিব পৰা গ'লহেঁতেন। উল্লেখ্য যে, যোৱা বৰ্ষৰ ৯ আগষ্টত কলকাতাৰ আৰ জি কৰ মেডিকেল কলেজ হাস্পতালৰ চেমিনাৰ হলত উদ্ধাৰ হৈছিল হাস্পতালখনত নৈশ কৰ্তব্যৰত এগৰাকী মহিলা চিকিৎসকলৰ মৃতদেহ। দেশজুৰি প্ৰতিবাদৰ জোৱাৰ নমোৱা এই নৃশংস কাণ্ডত প্ৰথমে ধৰ্ষণ আৰু তাৰ পিছত হত্যাৰ বলি হৈছিল চিকিৎসকগৰাকী। প্ৰথমে আৰক্ষী আৰু তাৰ পিছত চিবিআইয়ে এই কাণ্ডৰ তদন্ত চলাই সকলো তথ্য-প্ৰমাণ সংগ্ৰহ কৰিছিল আৰু মুখ্য তথা একমাত্ৰ অভিযুক্তৰূপে পোহৰলৈ আহিছিল আৰক্ষীৰ চিভিল ভলেণ্টিয়াৰ সঞ্জয় ৰায়ৰ নাম। এই নৃশংস কাণ্ডৰ প্ৰায় ছমাহৰ পাছত ১৮ জানুৱাৰীত আদালতে ৰায়দান কৰি ভাৰতীয় দণ্ডবিধিৰ ৩৭৬ (ধৰ্ষণ), ৩০২ (হত্যা), আৰু ২০১ (প্ৰমাণ ধ্বংস কৰা) ধাৰাত সঞ্জয় ৰায়ক দোষী সাব্যস্ত কৰিছিল। তাৰ পিছতে আজি সঞ্জয় ৰায়ৰ শাস্তি ঘোষণা কৰি যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত কৰে শিয়ালদহৰ বিশেষ নিম্ন আদালতখনে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# গুৱাহাটীত ধৰা পৰিল এইচএমপিভি

এইচএমপিভি ভাইৰাছ। এইবাৰ গুৱাহাটীৰ এখন হাস্পতালত ৰোগীৰ দেহত ধৰা পৰিছে এই ভাইৰাছ। গুৱাহাটীৰ খ্ৰীষ্টানবস্তিত এপল' হাস্পতালত ভৰ্তি হৈ থকা ৰোগী এইচএমপিভিত আক্ৰান্ত হৈছে। আক্ৰান্তগৰাকী ৰোগীজন হৈছে জ্যেষ্ঠ মহিলা। উশাহ-নিশাহত কষ্ট পোৱাত হাস্পতালত ভৰ্তি কৰা হৈছিল। পৰীক্ষা-নিৰীক্ষা কৰাত এইচএমপিভিত আক্ৰান্ত হোৱাটো নিশ্চিত হয়। মহিলাগৰাকীৰ লগতে স্বামী হাস্পতাতখনত ভৰ্তি হৈ আছে। স্বামী-স্ত্ৰী শ্বাস-প্ৰশ্বাসৰ সমস্যা ভুগি আছে। স্বামীৰো পৰীক্ষা কৰা হৈছে যদিও বাতৰি লিখা পৰলৈকে ৰিপৰ্ট অহা নাই। এপল' হাস্পতালত এইচএমপিভিত ৰোগী ধৰা পৰাত হাস্পতাল কৰ্তৃপক্ষই সতৰ্কত অৱলম্বন কৰিছে। প্ৰথমগৰাকী ৰোগী ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত ধৰা পৰিছিল। লখিমপুৰৰ ১০ মহীয়া কেঁচুৱা আছিল।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাহুল গান্ধী নহয়, মোহন ভাগৱতৰ

বিৰোধী দলপতি ৰাহুল গান্ধীৰ বিৰুদ্ধে ১৫২ বিএনএছৰ অধীনত অসমত গোচৰ ৰুজু হোৱাতো অত্যন্ত হাস্যকৰ বিষয়। অসম আৰক্ষীয়ে গণতন্ত্ৰৰ প্ৰতি সন্মান প্ৰদৰ্শন নকৰি এই গোচৰ ৰুজু কৰা কাৰ্যক আমি ধিক্কাৰ দিছো। অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি ভূপেন বৰাই নিজৰ বাসভৱনত আয়োজিত এক সংবাদমেলত আজি এইদৰে কয়। বৰাই কয় যে, অসম মুখ্যমন্ত্ৰীৰ বিভিন্ন উচটনিমূলক মন্তব্য, বেআইনী বক্তব্য সন্দৰ্ভত অসম প্ৰদেশ কংগ্ৰেছ আৰু প্ৰদেশ কংগ্ৰেছৰ কেইবাজনো নেতাই ৰাজ্যৰ কেইবাখনো আৰক্ষী থানাত গোচৰ দিবলৈ গৈছিলো। মুখ্যমন্ত্ৰীৰ সাম্প্ৰদায়িক মন্তব্য তথা উচটনিমূলক মন্তব্য দিয়াত দিছপুৰ থানাত বিৰোধী ঐক্যমঞ্চ তথা অসম সন্মিলিত মৰ্চাই আমি গোচৰ দিছিলো। মধ্যপ্ৰদেশৰ এখন জনসভাত মুখ্যমন্ত্ৰীয়ে ছোনিয়া গান্ধীৰ ঘৰ জ্বলাই দিব লাগে বুলি আৰু অন্য এখন ৰাজ্যত গৈ আমাৰ নেতা ৰাহুল গান্ধীৰ বিৰুদ্ধে অসাংবিধানিক মন্তব্য দিয়াত আৰক্ষীৰ কাষ চাপিছিলো। সেই কথাবিলাক অসমৰ সংবাদ মাধ্যম আৰু অসমৰ ৰাইজে জানে। কিন্তু নিখিল ভাৰত কংগ্ৰেছৰ দিল্লীৰ নৱ-নিৰ্মিত কাৰ্যালয় উদ্বোধনী কাৰ্যালয়ত ৰাহুল গান্ধীয়ে কৰা মন্তব্যক লৈ এগৰাকী অধিবক্তাই দিয়া এজাহাৰ অসম আৰক্ষীয়ে লগে লগে পঞ্জীয়ন কৰিছে। আৰক্ষীৰ অগণতান্ত্ৰিক, অসাংবিধানিক চৰিত্ৰ ওলাই পৰিছে। অসম আৰক্ষীয়ে শাসকীয় দলটোৰ আজ্ঞাবাহী ভৃত্য হিচাপে কাম কৰাতো স্পষ্টভাৱে প্ৰতিয়মান হৈছে। ৰাহুল গান্ধীৰ ১৭ মিনিটৰ ভিডিঅ' সকলো সামাজিক মাধ্যমৰ প্লেটফৰ্মত আছে। ১৭ মিনিটৰ বক্তব্যত ৯বাৰ সংবিধানৰ কথা কৈছে। ভগৱান শিৱ, কৃষ্ণ, বুদ্ধ, গুৰুনানকৰ, কবীৰ, মহাত্মা গান্ধী, সুভাষ চন্দ্ৰ বসু, চৰ্দাৰ বল্লৱভাই পেটেল, জৱাহৰলাল নেহৰুৰ কথা কৈছে। দেশৰ বিৰোধী দলপতি ৰাহুল গান্ধীৰ দেশৰ সংবিধানৰ প্ৰতি শ্ৰদ্ধা, দেশৰ সংবিধানৰ সুৰক্ষা, দেশৰ সাৰ্বভৌমত্বৰ কাৰণে যি প্ৰচেষ্টা সেইটো সৰ্বজন স্বীকৃত। জম্মু-কাশ্মীৰৰ পৰা কন্যাকুমাৰীলৈ, মণিপুৰৰ পৰা মহাৰাষ্ট্ৰলৈ যাত্ৰাৰ মাজেৰে দেশৰ নতুন প্ৰজন্মক আইনী ব্যৱস্থাৰ প্ৰতি আনুগত্যশীল, দুৰ্নীতিৰ বিৰুদ্ধে জাতিক জাগ্ৰত কৰিবলৈ যি প্ৰচেষ্টা সেয়া সকলোৱে দেখিছে। ১৫২ বিএনএছ আইনখন অনা হৈছে সশস্ত্ৰ সংগ্ৰামক প্ৰতিহত কৰিবলৈ। যিখন আইন সশস্ত্ৰ সংগ্ৰাম প্ৰতিহত কৰিবলৈ অনা হৈছে সেই আইনখন ৰাহুল গান্ধীৰ বিৰুদ্ধে ৰুজু কৰা গোচৰত লগোৱা হৈছে। যিখন আইনত যাৱজ্জীৱন বা ৭ বছৰ পৰ্যন্ত কাৰাদণ্ড দিবলৈ বিজেপি, আৰএছএছ আৰু অসমৰ মুখ্যমন্ত্ৰীয়ে চক্ৰান্ত কৰিছে। আমাৰ দলৰ নেতা তথা প্ৰথম প্ৰধানমন্ত্ৰী জৱৰহলাল নেহেৰু যিমান দিন প্ৰধানমন্ত্ৰী হিচাপে আছিল তাতকৈ বেছি দিন জেলত আছিল। যদি এইবিলাক কৰি বিজেপি, আৰএছএছ আৰু মুখ্যমন্ত্ৰীয়ে ভাবিছে যে ৰাহুল গান্ধী, কংগ্ৰেছে ভয় খাব তেন্তে তেওঁলোকে মুৰ্খৰ স্বাৰ্গত বাস কৰি আছে। যিজন লোকে গোচৰ ৰুজু কৰিছে সেইজনক লোকক আক্ৰমণ কৰি ভূপেন বৰাই কয় যে দেশৰ সংবিধানৰ সুৰক্ষা, দেশৰ সৰ্বাভৌমত্ব, দেশৰ অখণ্ডতাৰ কথা যদি ভাবিলেহেঁতেন তেন্তে ৰাহুল গান্ধীৰ গোচৰ ৰুজু কৰাতকৈ আৰএছএছ প্ৰধান মোহন ভাগৱতৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিলেহেঁতেন। মোহন ভাগৱতে ভাৰতবৰ্ষই সিদিনাহে স্বাধীনতা লাভ কৰিছে যিদিনা ৰাম মন্দিৰৰ নিৰ্মাণ কৰা হৈছিল বুলি কৈছিল। গান্ধী, সুভাষ বসু, আবুল কামাল আজাদ, চৰ্দাৰ বল্লৱভাই পেটেল, অসমৰ গোপীনাথ বৰদলৈ, নবীন চন্দ্ৰ বৰদলৈ, কনকলতা, মুকুন্দ কাকতী, ভোগশ্বৰী ফুকননী, কুশল কোঁৱৰ, মণিৰাম দেৱানৰ যি ত্যাগ সেই ত্যাগক উপেক্ষা কৰিছে। ইফালে, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা এজন হৃদয়হীন মানুহ বুলি অভিযোগ কৰে ভূপেন বৰাই। তেওঁ কয়, অসমৰ পৰা গুজৰাটলৈ লৈ যোৱা হাতীকেইটাৰ চকুপানীৰ অৰ্থ হিমন্ত বিশ্ব শৰ্মাই বুজিব নোৱাৰে। হাতী আৰু মানুহৰ মাজত থকা আৱেগৰ সম্পৰ্ক অনুধাৱন কৰিব নোৱৰা বাবে আজি এনেদৰে অসমৰ মাজেৰে বহিঃৰাজ্যলৈ হাতী চালান হৈছে। বৰাই কয় যে হিমন্ত বিশ্ব শৰ্মাৰ জনপ্ৰিয়তা অসমত লাহে লাহে কমি আছে। সেইবাবে তেওঁ আম্বানিক হাতী উপহাৰ দি নৰেন্দ্ৰ মোদী আৰু অমিত শ্বাহক সন্তুষ্ট কৰিব বিচাৰিছে। বিজেপিৰ শীৰ্ষ নেতৃত্বই অনুধাৱন কৰিছে যে হিমন্ত বিশ্ব শৰ্মাৰ ছলাহী কথাত মানুহ আৰু ভোল নাযায়। সেইবাবে পুৰণি নিষ্ঠাৱান কৰ্মীক দলৰ ৰাজ্যিক সভাপতিৰ দায়িত্ব দিছে। বিজেপিৰ ভিতৰচ'ৰাত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ স্থিতি তেনেই দুৰ্বল হৈ পৰা বুলি উল্লেখ কৰি বৰাই কয় যে হতাশগ্ৰস্ত হৈ এতিয়া মুখ্যমন্ত্ৰীয়ে যিকোনো ধৰণৰ সিদ্ধান্তকে ল'বলগীয়া হৈছে। ইফালে, নদুৱাৰ সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাৰ পৰিবাৰৰ নামত থকা গাড়ীৰ খুন্দাত এজন লোকৰ মৃত্যু হোৱা ঘটনা সন্দৰ্ভত সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত বৰাই কয় যে আইন সকলোৱে বাবে সমান হ'ব লাগে। ডাঙৰে কৰিলে লীলা আৰু সৰুৱে কৰিলে ধৰি-বান্ধি কিলা জাতীয় ব্যৱস্থা এটা হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বৰ চৰকাৰৰ দিনত চলি আছে। এয়া বন্ধ হ'ব লাগে বুলিও সংবাদমেলত উল্লেখ কৰে প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰাই। সংবাদমেলত অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰা আৰু সামাজিক মাধ্যম বিভাগৰ অধ্যক্ষ ৰাতুল কলিতাও উপস্থিত থাকে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# গুৱাহাটীত চোৰলৈ গুলী

লোৱাৰ পিছৰে পৰা গুৱাহাটীত দ্বিতীয়টো এনকাউণ্টাৰ কৰিছে গুৱাহাটী আৰক্ষীয়ে। প্ৰথমটো ১১ জানুৱাৰী আৰু আজি দ্বিতীয়টোএনকাউণ্টাৰ কৰে গুৱাহাটী আৰক্ষীয়ে। ১১ জানুৱাৰীত ভড়াগড়ত মহিলাক ছুৰীকাঘাত কৰা আজিল হকক এনকাউণ্টাৰ কৰিছিল আৰক্ষীয়ে। আজি গড়ভঙাত ডকাইতক এনকাউণ্টাৰ কৰে আৰক্ষীয়ে। পূৰ্বৰ দৰে একেই ঘটনা। আৰক্ষীৰ পিষ্টল কাঢ়ি পলায়নৰ প্ৰয়াস কৰাত গুলীচালনা কৰে আৰক্ষীয়ে। গুলী লাগি আঘাতপ্ৰাপ্ত হয় ডকাইতিৰ সন্দেহত গ্ৰেপ্তাৰ কৰা জ্যোতিদীপ মজুমদাৰ। জানিব পৰা মতে, মহানগৰীৰ বীৰুবাৰীৰ জ্যোতিদীপ চেইন চুৰি, মোবাইল চুৰিৰ গোচৰত অভিযুক্ত। জ্যোতিদীপ মজুমদাৰক আৰক্ষীয়ে পল্টন বজাৰত অভিযান চলাই গ্ৰেপ্তাৰ কৰিছিল। জ্যোতিদীপক গ্ৰেপ্তাৰ কৰি সহযোগীৰ ঘৰ দেখুৱাবলৈ নিছিল। সেই সময়তে আৰক্ষী এজনৰ পিষ্টল কাঢ়ি পলায়নৰ প্ৰয়াস কৰে। আৰক্ষায়ে ৰখিবলৈ সতৰ্ক কৰিছিল যদিও আৰক্ষীৰ নিৰ্দেশনা মানি নোলোৱাত গুলীচালনা কৰে। ভৰিত গুলী লগাত বাগৰি পৰা জ্যোতিদীপক মইনা খোৰোং হাস্পতালত ভৰ্তি কৰোৱা হৈছিল যদিওপিছত উন্নত চিকিৎসাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰে আৰক্ষীয়ে। ইয়াৰ পূৰ্বে ১১ জানুৱাৰীত গুৱাহাটীত আজুল হক নামৰ অভিযুক্তক আৰক্ষীৰ জিম্মাৰ পৰা পলায়নৰ প্ৰয়াস কৰাৰ ভড়াগড়ত এনকাউণ্টাৰ কৰিছিল আৰক্ষীয়ে। ১০ জানুৱাৰীৰ সন্ধিয়া ভেটাপাৰাত এগৰাকী বিবাহিতা মহিলাক ছুৰীকাঘাত কৰা ঘটনাৰ অভিযুক্ত আজুল হকে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাৰ পিছত আৰক্ষীয়ে হাতীগাঁও আৰক্ষী থানা অভিমুখে আনি থকাৰ সময়তে আজুলে আৰক্ষীক বাহনখনৰ পৰা পলায়নৰ প্ৰয়াস কৰাত আৰক্ষীয়ে গুলীচালনা কৰে। যাৰ ফলত গুলী লাগি আঘাতপ্ৰাপ্ত হয়। তিনি ৰাউণ্ড গুলী চালনা কৰাত সোঁ ভৰিত গুলী লাগিছিল। উচ্চতম ন্যায়ালয়ৰ উদ্বেগ প্ৰকাশ কৰাৰ পিছতো অসম অব্যাহত আছে এনকাউণ্টাৰ সংস্কৃতি। ১০টা দিনৰ ভিতৰতে খোদ গুৱাহাটীতে দুটা এনকাউণ্টাৰৰ ঘটনা সংঘটিত কৰিলে আৰক্ষীয়ে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নম্বৰত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# এনকাউণ্টাৰ কৰি আমাক মাৰি

বিনা বেতনা চাকৰি কৰি অহা ৰাজ্যৰ ৫ হাজাৰ ৫০০ শিক্ষকে দিছপুৰ ঘেৰাও কৰাৰ প্ৰয়াস কৰি আৰক্ষীৰে হতাহতি কৰিবলগীয়া হয়। সদৌ অসম ড্ৰপ টিচাৰ্ছ এছ'চিয়েচন (২০১৩/২০২১) শ শ শিক্ষকে গুৱাহাটীৰ খানাপাৰালৈ ওলাই আহে। চৰকাৰে প্ৰতাৰিত কৰি অহাৰ অভিযোগ উত্থাপন কৰি আজি ৰাজ্যৰ চুক-কোণৰ পৰা অহা ৫ হাজাৰ ৫০০ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰীয়ে খানাপাৰত সমৱেত হৈ দিছপুৰৰ সচিবালয় ঘেৰাও কৰাৰ পৰিকল্পনা কৰিছিল যদিও পৰিকল্পনা বিফল হয়। কেইবাশতাধিক আৰক্ষী মোতায়েন কৰি প্ৰতিবাদ শিক্ষকৰৰ সচিবালয় যাত্ৰা কঠোৰ হাতেৰে স্তব্ধ কৰে। শিক্ষক-শিক্ষয়িত্ৰীয়ে অপ্ৰাণ প্ৰয়াস কৰি আৰক্ষীয়ে বল প্ৰয়োগ কৰাত যাত্ৰা কৰিবলৈ সক্ষম নহ'ল। প্লেকাৰ্ড-বেনাৰ লৈ চৰকাৰ বিৰোধী শ্ল'গান দি উত্তাল কৰে খানাপাৰা। খানাপাৰাৰ পৰা জনতা ভৱনলৈ মাৰ্চ কৰাৰ কৰাৰ প্ৰয়াস কৰিছিল যদিও আৰক্ষী বাহিনীয়ে সকলো প্ৰদৰ্শনকাৰীক আটক কৰি চচললৈ লৈ যায়। প্ৰায় দুই ঘণ্টাৰ অন্তত প্ৰতিবাদী শিক্ষকক চৰকাৰে প্ৰতিবাদস্থলী চচললৈ নি বন্দী কৰে। প্ৰতিবাদকাৰী এগৰাকী শিক্ষয়িত্ৰীয়ে কয় যে শিক্ষমন্ত্ৰীয়ে বাৰে বাৰে কৈছে আমি ৰিজেক্ট টিচাৰ। মুখ্যমন্ত্ৰীয়ে কৈছে ইনভেলিড হৈ গৈছো। মুখ্যমন্ত্ৰীয়ে কংগ্ৰেছত থাকোতে ৰিককনাইজ কৰিছিল। আমি ৯০ৰ দশকৰ পৰা শিক্ষকতা কৰিছিলো। আমি চক পেন্সিল হাতত লোৱাটোৱে আমাৰ ডাঙৰ অপৰাধ। আমি হাতত বন্দুক ল'ব লাগিছিল। তেতিয়া হিমন্ত বিশ্ব শৰ্মাই আমাৰ গলত গামোচা দিলেহেঁতেন। আমাক মালা দিলেহেঁতেন। আমাৰ আজিৰ এই অৱস্থা বিজেপি চৰকাৰৰ বাবে হৈছে। মুখ্যমন্ত্ৰী মহোদয় আপুনি আৰক্ষীক অৰ্ডাৰ দিয়ক। আমাক এনকাউণ্টাৰ কৰি মাৰি পেলাওক। আমি আৰু ঘৰত নাযাও। আমি ইয়াতে মৰিম। হয় জনতা ভৱনলৈ যাবলৈ দিয়ক নহয় আমাক ইয়াতে মাৰি পেলাওক। এয়াই আমাৰ শেষ কথা। এইখন চৰকাৰে কেৱল বন্দুকৰ ভাষাহে বুজি পায়। আমি ভুল কৰিছো। আমি হাতত চক পেন্সিল লোৱাতকৈ বন্দুক ল'ব লাগিছিল বুলি কেইবাগৰাকী প্ৰতিবাদী শিক্ষকে উল্লেখ কৰিছে। হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ বিৰুদ্ধে প্ৰাদেশিককৰণ নকৰাত প্ৰায় ৫,৫০০ শিক্ষকে বৈষম্যমূলক দৃষ্টিভংগীৰে চোৱাৰ অভিযোগ আনে। একাংশ প্ৰতিবাদী শিক্ষকে কয় যে চাকৰি নিয়মীয়া নোহোৱাকৈ বছৰ বছৰ ধৰি কাম কৰিছো। প্ৰতিবাদ কৰি গৈছো। আমাৰ একেই লগৰ শিক্ষকে দৰমহা পায়। আমি বঞ্চিত আৰু হতাশাত দিন পাৰ কৰিছো। প্ৰতিবাদী শিক্ষকে আৰু কয় যে কিছুমানক নিয়মীয়াকৰণ কৰা হৈছে আন কিছুমানক কোনো ক্ষতিপূৰণ অবিহনে এৰি দিয়া হৈছে। আমি ইমান বছৰ ধৰি কাম কৰিছো, কিন্তু কেৱল কিছুমান শিক্ষকৰ চাকৰি প্ৰাদেশিকীকৰণ কৰা হৈছে আৰু কিছুমান কিয় পিছ পৰি আছে? ইমান বৈষম্য কিয়? শিক্ষকসকলে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক হস্তক্ষেপ কৰিবলৈ আৰু তেওঁলোকৰ সমস্যা সমাধান কৰিবলৈ আহ্বান জনায়। আজি আমি আমাৰ ভৱিষ্যত সুৰক্ষিত কৰিবলৈ ৰাজপথলৈ ওলাই আহিব লগা হৈছে। আমি ৫,৫০০ শিক্ষক সুবিধাৰ পৰা বঞ্চিত। আমি হিংসা নিবিচাৰো। আমি কেৱল আমাৰ অধিকাৰ বিচাৰি আহিছো। দীৰ্ঘদিন ধৰি চাকৰি প্ৰাদেশিককৰণৰ বাবে প্ৰতিবাদ কৰি আহিছো। কিন্তু দাবীসমূহ মুখ্যতঃ উত্তৰহীন। বিজেপি দলে ২০১৪ চনৰ পিছৰে পৰা প্ৰতিটো নিৰ্বাচনত ৰাজ্যৰ ভেঞ্চাৰ স্কুলসমূহ প্ৰাদেশীকৰণৰ প্ৰতিশ্ৰুতি দি আহিছে। বিজেপি চৰকাৰ গঠন কৰাৰ পিছতে শিক্ষকসকলৰ চাকৰি নিয়মীয়া হ'ব বুলি আশা কৰিছিল যদি বিজেপিয়ে প্ৰতিশ্ৰুতি ভংগ কৰিছে। কেন্দ্ৰত তিনিবাৰ, ৰাজ্যত দুবাৰ চৰকাৰ গঠন কৰিও শিক্ষকসকলৰ চাকৰি নিয়মীয়া কৰাটো দূৰৰ কথা এতিয়া শিক্ষকৰ কথাই শুনিব নোখোজে বিজেপি চৰকাৰে। যাৰ ফলত আজি গুৱাহাটীৰ প্ৰতিবাদ কৰিছে শিক্ষকসকলে। সদৌ অসম অপ্ৰাদেশীকৃত শিক্ষক-কৰ্মচাৰী সন্থাই ইয়াৰ পূৰ্বে গুৱাহাটী আমৰণ অনশন কৰিছিল। ২০১৭-১৮ চনৰ শিক্ষানুষ্ঠান প্ৰাদেশীকিকৰণ আইনৰ পূৰ্ণাংগ সংশোধন কৰি অৱশিষ্ট অপ্ৰাদেশীকৃত শিক্ষানুষ্ঠানসমূহ আৰু ২০১৩ আৰু ২০২১ চনত বঞ্চিত শিক্ষক-কৰ্মচাৰীসকলক প্ৰাদেশীকিকৰণৰ দাবীত গুৱাহাটীৰ চচলত আমৰণ অনশন আৰম্ভ কৰিছিল। এনেদৰে বছৰৰ পিছত বছৰ ধৰি এই শিক্ষকসকলে ভোকে-পিঁয়াহে বাৰে বাৰে প্ৰতিবাদ কৰি গৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# লাচিত সেনাৰ নেতাৰ ৰাজপথত

হাতত প্ৰহৃত হ'ল যুৱতী। যোৰহাটত বীৰ লাচিত সেনা, অসমৰ নেতাৰ কৰ্মকাণ্ডত লজ্জিত সভ্য সমাজ।চিচিটিভি কেমেৰাত শনিবাৰে বন্দী হয় জাতীয় সংগঠনৰ নেতাই যুৱতীক ৰাজপথত উপৰ্যুপৰি প্ৰহাৰ কৰাৰ দৃশ্য। এই নিকৃষ্ট ঘটনা সংঘটিত কৰিছিল বীৰ লাচিত সেনাৰ নেতাই। ৰাজপথত দাদাগিৰি দেখুওৱা যুৱকজনক বীৰ লাচিত সেনাৰ যোৰহাট আঞ্চলিক সমিতিৰ সাধাৰণ সম্পাদক ঋতু ফুকন বুলি জানিব পৰা গৈছে। শনিবাৰে নিশা যোৰহাট নগৰ মাজমজিয়াৰ নিৰ্মল চাৰিআলিৰ সমীপত এগৰাকী যুৱতীক প্ৰহাৰ কৰা হৈছিল। পথৰ ওপৰতে এজন যুৱকে প্ৰথমে তৰ্কাতৰ্কিত লিপ্ত হৈ পিছত মাৰপিট কৰা ঘটনাক কেন্দ্ৰ কৰি সৃষ্টি হোৱা পৰিস্থিতিয়ে ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে। যুৱতীগৰাকীক ৰক্ষা কৰিবলৈ আগবাঢ়ি যোৱা এজন লোকো সংগঠনটোৰ একাংশ সদস্যৰ ৰোষত পৰিবলগা হয় । কাৰণ যুৱতীগৰাকীক মাৰপিট কৰা যুৱকজন আছিল এটা জাতীয় সংগঠনটোৰ বিষয়ববীয়া। পিছত যুৱতীগৰাকীক প্ৰহাৰ কৰা নেতাজন চিনাক্ত হোৱাৰ পিছতে সমগ্ৰ ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। জাতীয় সংগঠনৰ নেতাই সংঘটিত কৰা ঘটনাক লৈ যোৰহাটত সৰ্বৰ চৰ্চা চলিছে।

# বেতবাৰীৰ শুকান পুখুৰীত দ্বি-বাৰ্ষিক মহাপালনামৰ প্ৰস্তুতি, মুকলি কৰিলে কাৰ্যালয়

**ই-সংবাদ, শিৱসাগৰ, ২০ জানুৱাৰীঃ** সদৌ অসম কৃষ্ণ সূৰ্য নাম সমাজ আৰু সাংস্কৃতিক গৱেষণা কেন্দ্ৰৰ উদ্যোগত তথা ৰাইজৰ সহযোগত অহা ১৩ মাৰ্চৰ পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব দ্বি-বাৰ্ষিক মহাপালনাম। জীৱ জগতৰ কল্যাণ কামনাৰে শিৱসাগৰ বেতবাৰী শুকান পুখুৰীত লক্ষাধিক ভক্তপ্ৰাণ ৰাইজৰ সমাগমেৰে অনুষ্ঠিত কৰিবলগীয়া দ্বি-বাৰ্ষিক মহাপালনামৰ বাবে এতিয়াৰে পৰা চলাইছে ব্যাপক প্ৰস্তুতি। এই উপলক্ষে অলপতে বেতবাৰীৰ শুকান পুখুৰী উচ্চ মাধ্যমিক বিদ্যালয়ত সন্মুখত মুকলি কৰা হয় এটা অস্থায়ী কাৰ্যালয়। ফিটা কাটি কাৰ্যালয়টি মুকলি কৰে শিৱসাগৰ ৰাজহ চক্ৰ বিষয়া চৈয়দ নেকিব বৰুৱাই। মহাপালনাম ভাগি যাতে সুকলমে অনুষ্ঠিত কৰিব পৰা যায় তাৰ বাবে সামৰ্থ্য অনুসৰি পূৰ্ণ সহায়-সহযোগিতা আগবঢ়োৱাৰ আশ্বাস প্ৰদান কৰে ৰাজহ চক্ৰ বিষয়াগৰাকীয়ে। কাৰ্যলয়ৰ দ্বাৰ মুকলিৰ পিছতে নাম প্ৰসংগ কৰি শৰাই আগবঢ়োৱা হয়। অনুষ্ঠানত উদযাপন সমিতিৰ সভাপতি ভৱেন চুতীয়া, কাটনীপাৰ সত্ৰৰ ডেকা সত্ৰাধিকাৰ প্ৰাঞ্জল মহন্ত, সম্পাদক দিলীপ চাংমাই, সহকাৰী সম্পাদক অসীম চেতিয়া, ৰূপম গগৈ, শিৱসাগৰ মেলাচকৰ নামঘৰৰ সম্পাদক ৰবীন চন্দ্ৰ হাজৰিকাসহ বহু সংখ্যক ভকত বৈষ্ণৱ, আয়তী উপস্থিত থাকে। উল্লেখ্য যে দ্বি-বাৰ্ষিক মহাপালনামত ভাগৱত ৰসসিন্দু ৰিজু পাঠক, শান্তি সাধনা আশ্ৰমৰ কুলপতি হেমভাই, ভাৰত চৰকাৰৰ দ্বাৰা মহীয়সী নাৰী সন্মান প্ৰাপক নাগাৰা নামৰ শিল্পী বজয়ন্তী তালুকদাৰসহ কেইবাখনো সত্ৰৰ সত্ৰাধিকাৰসকলে অংশগ্ৰহণ কৰিব বুলিও জানিবলৈ দিয়ে উদ্যোগক্তাসকলে। বিগত বৰ্ষত শিৱসাগৰ বৰ্ডিং খেলপথাৰত অনুষ্ঠিত কৰা মহাপালনামত হেজাৰ হেজাৰ ভক্তপ্ৰাণ ৰাইজ উপস্থিত আছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মাছ দিয়া সূৰ্যৰ বাসগৃহত টকাই টকা

সম্ৰাট কুখ্যাত কোকৰাঝাৰৰ দেৱীতোলা সংহত শিশু উন্নয়ন প্ৰকল্পৰ বিষয়া সূৰ্য কমল বৰুৱাৰ ঘৰত আজি পুৱা ৭ বজাৰ পৰা চলে অভিযান। ১২ জানুৱাৰীত মুখ্যমন্ত্ৰীক শিলঘৰীয়া মাছ উপহাৰ দিয়া শিশুৰ নামত ৰূপায়ণ কৰা আঁচনিৰ ধন চান কাঢ়ি খোৱা সূৰ্য কমল বৰুৱাৰ গুৱাহাটীৰ দুই ঠিকনাত মুখ্যমন্ত্ৰীৰ তদাৰকী কোষৰ প্ৰায় ১৫ জনীয়া দলে অভিযান চলাইছে। চিএম ভিজিলেন্সৰ প্ৰায় ১৫ জনীয়া দলটোৱে ভাগে ভাগে ব্যাপক নিৰপত্তাৰক্ষী লৈ জয়ানগৰ আৰু ভঙাগড়ত পুৱাই উপস্থিত হয়। অভিযান চলাবলৈ আৰম্ভ কৰিয়েই চকু কপালত উঠিছিল অভিযানকাৰী দলৰ। ভঙাগড়ৰ আনন্দনগৰস্থিত চাণক্য পথৰ এপাৰ্টমেণ্টৰ ফ্লেটত য'তে-ত'তে টকা উদ্ধাৰ হয়। কেইবা লক্ষ টকা একত্ৰিত কৰি গণনা কৰিবলৈ বেংকৰ পৰা মেচিন মগাবলগীয়া হয়। টকা গণনা কৰি ভাগৰি পৰিছে মুখ্যমন্ত্ৰীৰ তদাৰকী কোষৰ বিষয়া। সন্ধিয়া ৭ বজা পৰ্যন্ত প্ৰায় ৫০ লাখ টকা উদ্ধাৰ হোৱা বুলি জানিব পৰা গৈছে। ৭ বজাৰ পিছতো টকা গণনা কৰি থকা বুলি জানিব পৰা গৈছে। কেৱল টকাই নহয়, সূৰ্য কমল বৰুৱাৰ ঘৰত উদ্ধাৰ হৈছে অস্ত্ৰ। পিষ্টল এটা আৰু ৪৪ জাঁই সজীৱ গুলী উদ্ধাৰ হয়। জয়ানগৰৰ শিৱ মন্দিৰ পথত থকা এপাৰ্টমেণ্টৰ ফ্লেটটো অভিযান চলিছিল। তাৰ পৰাও কিছু সম্পত্তি ক্ৰয়-বিক্ৰয়ৰ নথি-পত্ৰ উদ্ধাৰ হয়। বৰ্তমান কোকৰাঝাৰ জিলাৰ দেৱীতোলা সংহত উন্নয়ন বিষয়াৰ কাৰ্যালয়ত প্ৰকল্প বিষয়া হিচাপে কৰ্মৰত সূৰ্য কুমাৰ বৰুৱা পূৰ্বে বিটিআৰৰ বাহিৰত ধুবুৰী জিলাত কৰ্মৰত আছিল। ধুবুৰীৰ পিছতে কোকৰাঝাৰ সীমান্তৱৰ্তী দেৱীতোলাত প্ৰকল্প হিচাপে যোগদান কৰি দুৰ্নীতিৰ বজাৰ বহুৱাইছিল। সমাজ কল্যাণ বিভাগে ৰূপায়ন কৰা আঁচনিৰ ধন কোৰোণাৰে চপাইছিল। শিশুৰ মুখৰ পৰা ধন কাঢ়ি খাইছিল। চৰকাৰে যোগান ধৰিবলৈ আৱন্টন দিয়া টকা উদৰস্থ কৰিছিল। দাইল, চেনী, বুট, মাহ, চাবোন, টাৱেলৰ নামত সংঘটিত কৰিছিল কোটি-কোটি টকাৰ কেলেংকাৰী। শিশুৰ বাবে আৱন্টন দিয়া ধন শিশুৰ ভুৱা তালিকা প্ৰস্তুত কৰি বেংক একাউণ্টৰ পৰা উলিয়াইছিল। ধুবুৰী জিলাত সমাজ কল্যাণ বিষয়া হিচাপে অতিৰিক্ত দায়িত্ব আছিল এইজন সূৰ্য। ফলত দুয়োখন জিলাত অংগনবাড়ী কেন্দ্ৰৰ বাবে অহা ধন লুটিছিল সূৰ্যই। লক্ষ লক্ষ টকা লুটি সোঁৰে-বাৱে কেৱল সম্পত্তি গঢ়িছিল। আজি যেতিয়া মুখ্যমন্ত্ৰীৰ তদাৰকী কোষৰ দল ফ্লেটত উপস্থিত হৈছিল তেতিয়া ঘৰত নাছিল সূৰ্য। পুৱা ৫ বজাতে ঘৰৰ পৰা ওলাই গৈছিল। প্ৰতি শনিবাৰে কোকৰাঝাৰৰ পৰা আহি সোমবাৰে পুৱাই কোকৰাঝাৰলৈ ওলাই গৈছিল। অন্য দিনা পুৱা ৮ বজাৰ পিছত ওলাই গৈছিল যদিও আজি পুৱাই ৫ বজাতে ঘৰৰ পৰা ওলাই যায়। মাথোঁ ৮০ হাজাৰ টকা দৰমহা পোৱা সমাজ কল্যাণ বিভাগৰ বিষয়া সূৰ্য কমল বৰুৱাই তেনেকৈ গঢ়িছিল পাহাৰসম ধন-সম্পত্তি। আয় বৰ্হিভুত সম্পত্তিৰ তথ্য লাভ কৰিছিল চিএম ভিজিলেন্সে। সূৰ্যই গুৱাহাটীত কেবাটাও বিলাসী ফ্লেট, বিলাসী বাহন, বাণিজ্যিক জমি ক্ৰয় কৰিছিল। চিএম ভিজিলেন্সে প্ৰায় ১৫ কোটিতকৈ অধিক টকাৰ ধন-সম্পত্তি ক্ৰয়ৰ তথ্য লাভ কৰা বুলি জানিব পৰা গৈছে।

দুৰ্নীতিসম্ৰাট সূৰ্য কুমাৰ বৰুৱা ধুবুৰী জিলাত প্ৰকল্প বিষয়া হিচাপে কৰ্মৰত থকাৰ সময়তে দুৰ্নীতিৰ জাল পেলাইছিল। তাৰ পিছৰে পৰা লক্ষ লক্ষ টকা লুটিবলৈ আৰম্ভ কৰিছিল। ভঙাগড় আৰু জয়নগৰত বিলাসী ফ্লেট, ক্ষেত্ৰীত বিশাল মাটি, বিলাসীপাৰাত ঘৰ, ধুবুৰীত হোটেল, পেট্ৰ'ল পাম্প, চিটি বাছ, কোকৰাঝাৰত মাটি ক্ৰয়ৰ সম্পত্তি তথ্য লাভ কৰিছে। ইমানে গুৱাহাটীত মাটি দালিল কৰাৰো অভিযোগ উত্থাপন হৈছে। ২০১১ চনত আনৰ মাটি জোৰ-জবৰদস্তি দখল কৰাৰ অভিযোগ উঠিছিল। মহানগৰীৰ এবিচি পইণ্টৰ চাণক্য পথৰ নিৰু দাস নামৰ মহিলাৰ এপাৰ্টমেণ্ট দখলৰ অভিযোগ উঠিছিল। নিৰু দাস আৰু স্বামী ভুপেন দাসক হত্যাৰ ভাবুকি দি দখল কৰা এপাৰ্টমেণ্টত আছিল সূৰ্যৰ পৰিয়াল। আৰু সেই ফ্লেটতে আজি মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে অভিযান চলাই ৫০ লক্ষ টকা উদ্ধাৰ কৰিবলৈ সক্ষম হয়। মাটি সম্পত্তিৰ নথি আৰু ১০ তোলাৰ সোণৰ অলংকাৰ জব্দ কৰিছে কোষে। সমানে বিএমডব্লিউ, স্কৰপিঅ', কিয়া বাহন ক্ৰয়ৰ তথ্য উদ্ধাৰ কৰে। বিগত প্ৰায় ডেৰটা দশক নামনি অসমৰ ধুবুৰী আৰু কোকৰাঝাৰ জিলাত সমাজ কল্যাণ বিভাগৰ বিভিন্ন পদত কাৰ্যনিৰ্বাহ কৰিছিল। ধুবুৰী আৰু কোকৰাঝাৰৰ প্ৰশাসন আৰু দল-সংগঠনে সূৰ্যক দুৰ্নীতিগ্ৰস্ত বিষয়া বুলি জানিছিল যদিও মাত মাতিবলৈ ভয় কৰিছিল। কিয়নো বহুত ডাঙৰ ডাঙৰ মানুহৰ সৈতে হাত থকা বুলি জহাই ফুৰিছিল সূৰ্যই। অৱশেষত আজি ডাঙৰ মানুহ মুখ্যমন্ত্ৰীক মাছ দিও ৰেহাই নাপালে সূৰ্য কমলে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# স্বৰ্গসুখত ৰখাৰ প্ৰতিশ্ৰুতি দিলে

নামচাইলৈ নি তাৰ নথি প্ৰস্তুত কৰি অসমৰ মাজেৰে সৰবৰাহ কৰাৰ অভিযোগক লৈ ৰাজ্যৰ ৰাজনীতি উত্তাল হৈ আছে। অভিযোগ-প্ৰতিঅভিযোগে সংবাদমাধ্যম আৰু সামাজিক মাধ্যম উত্তাল কৰি ৰাখিছে। বিজেপিয়ে কোনো কাৰণত গুজাৰাটৰ মুকেশ আম্বানিৰ পুত্ৰৰ বনতাৰা নামৰ ব্যক্তিগত চিৰিয়াখানালৈ উত্তৰ-পূৰ্বাঞ্চলৰ হাতী নিয়াত আপত্তি কৰা নাই। বৰং হাতী তালৈ নিয়াৰ পক্ষত বিভিন্ন যুক্তি প্ৰদৰ্শন অব্যাহত ৰাখিছে। কিন্তু অসমৰ জাতীয়াতবাদীসকলে হাতী নিয়াৰ দুৰ্ঘোৰ বিৰোধ কৰি সামাজিক মাধ্যম আৱেগিক কৰি পেলাইছে। বিজেপিৰ নেতা-সমৰ্থকে হাতী মুকেশ আম্বানীৰ চিৰিয়াখানালৈ নিয়াৰ পক্ষত দেখা যায়। অসমৰ ৰোগীয়া ঘৰচীয়া হাতীক শুশ্ৰূষা পাব বুলি যুক্ত দিয়া দেখা যায়। মুঠতে হাতীক লৈ সামাজিক মাধ্যমত দুই গোটত পৰিণত হৈছে অসমৰ সামাজিক মাধ্যমৰ নেটিজেন। ৰাজ্যৰ একাংশ বুদ্ধিজীৱি, সাহিত্যিক, জাতীয় সংগঠনৰ নেতা, বিৰোধী দলৰ নেতাও হাতীৰ অসমৰ বাহিৰলৈ নিয়াৰ পক্ষপাতী নহয়। তাৰ মাজতে অসমৰ হাতী বুলি দাবী উত্থাপন হোৱা অৰুণাচলৰ পৰা অসমৰ মাজেৰে নিয়া হাতীক আদৰিবলৈ সাজু হৈছে মুকেশ আম্বানিৰ পৰিয়াল। মুকেশ আম্বানিৰ পুত্ৰ অনন্ত আম্বানিয়ে বনতাৰাত উত্তৰ-পূৰ্বাঞ্চলৰ ১০টা মতা, ৮ টা মাইকী, এটা প্ৰাপ্তবয়স্ক আৰু এটা পোৱালীসহ ২০টা হাতীক আদৰণি জনোৱাৰ বাবে সাজু হৈছে। বনতাৰা কৰ্তৃপক্ষই এক বিবৃতি জাৰি কৰি কয় যে উচ্চতম ন্যায়ালয়ৰ দ্বাৰা নিযুক্ত উচ্চ ক্ষমতাসম্পন্ন সমিতিৰ দ্বাৰা সমৰ্থিত এই পদক্ষেপ। হাতী আৰু প্ৰাক্তন মালিকসকলৰ বাবে এক উজ্জ্বল ভৱিষ্যত নিশ্চিত কৰা হৈছে। বনতাৰাত মানৱীয় নিযুক্তিৰ ভূমিকা লাভ কৰিব। আঘাতপ্ৰাপ্ত প্ৰাপ্তবয়স্কসহ হাতীবোৰে প্ৰাকৃতিক বাসস্থানৰ প্ৰতিফলন ঘটা পৰিৱেশত জীয়াই থাকিব পাৰিব। হাতী সৰবৰাহক হাতী উদ্ধাৰ অভিযান আখ্যা দি বনতাৰাই আৰু কয় যে এই উদ্ধাৰে পশু কল্যাণ, বহনক্ষম জীৱিকা আৰু বন সংৰক্ষণৰ দিশত এক পৰিৱৰ্তনৰ ওপৰত আলোকপাত কৰিছে। যাৰ দ্বাৰা ব্যক্তিগত হাতীৰ মালিকীস্বত্বত নিষেধাজ্ঞাৰ সবল হ'ব। স্থানীয় বন বিষয়া আৰু পশু চিকিৎসকসকলে উন্নত চিকিৎসাৰ সুবিধা, যত্নত গুৰুত্ব দিব। এই পদক্ষেপে কেৱল হাতীক কঠোৰ পৰিস্থিতিৰ পৰা উদ্ধাৰ কৰাই নহয় লগতে জীৱ-জন্তুৰ সহাবস্থান আৰু সহানুভূতিৰ এক আৰ্হি প্ৰদান কৰিব। ইপিনে মুখ্যমন্ত্ৰী মহন্ত বিশ্ব শৰ্মাৰ কাৰ্যালয়ে অসমৰ পৰা গুজৰাটৰ বনতাৰালৈ হাতী সৰবৰাহৰ অভিযোগ নস্যাৎ কৰিছে। আনহাতে একেটা বিবৃতিত দাবী কৰা মতে সেই হাতীসমূহ উদ্ধাৰ কৰা হৈছে। অৰণ্যত কাঠ টানিবলৈ ব্যৱহাৰ কৰা হৈছিল পোহনীয়া হাতীকেইটাক। হাতীকেইটাকেইটাৰ স্বাস্থ্যৰ অৱস্থা বেয়া আছিল। বনতাৰাত হাতীৰ স্বত্বাধিকাৰী আৰু মাউতসকলক পৰ্যাপ্ত সংস্থাপনৰ প্ৰতিশ্ৰুতি দিছে বনতাৰা কৰ্তৃপক্ষই।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কোৰিয়াৰ পৰা জাপানলৈ হিমন্ত বিশ্ব

দ্বিতীয় দিন পাৰ কৰিলে। আজি দ্বিতীয় দিনটোত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই দক্ষিণ কোৰিয়াৰ ইণ্ডিয়ান চেম্বাৰ অৱ কমাৰ্চে ছিউলত আয়োজন কৰা এডভান্টেজ আসাম-২.০ৰ ৰোড শ্ব'ত অংশগ্ৰহণ কৰে। কোৰিয়াৰ কেইবাগৰাকী বিনিয়োগকাৰী তথা উদ্যোগপতি উপস্থিত থকা ৰোড শ্ব'ত অসমত বিনিয়োগৰ সম্ভাৱনা সন্দৰ্ভত আলোচনা কৰাৰ লগতে এডভান্টেজ আসাম-২.০ৰ সন্মিলনলৈ উদ্যোগপতিসকলক আমন্ত্ৰণ জনায়। উত্তৰ-পূৰ্বাঞ্চল তথা অসমক ভাৰত চৰকাৰে বিশেষ গুৰুত্ব দিয়াৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে অসমত উদ্যোগ ক্ষেত্ৰৰ বিকাশৰ দিশত শক্তি হ'ব পাৰে বুলি কয়। উদ্যোগপতিসকলৰ সৈতে আলোচনাত মিলিত হৈ অসমৰ মুখ্যমন্ত্ৰী ডঃ শৰ্মা উৎসাহিত হয় আৰু বিনিয়োগৰ আশা প্ৰকাশ কৰিছে। দক্ষিণ কোৰিয়াৰ ৭৩ হাজাৰৰো অধিক কোম্পানীক প্ৰতিনিধিত্ব কৰা সংস্থা কোৰিয়ান আন্তঃৰাষ্ট্ৰীয় বাণিজ্য সংস্থাৰ প্ৰতিনিধিৰ সৈতে কৰা বৈঠকত ৰাজ্যৰ মুখ্যমন্ত্ৰীগৰাকীয়ে অসমৰ চাহ, ৰেচম আৰু কৃষিজাত সামগ্ৰীৰ নতুন বজাৰ সৃষ্টিত প্ৰাধান্য দিয়ে। ডঃ শৰ্মাই কোৰিয়াৰ উল্লেখযোগ্য বিকাশ আৰু উৎপাদনৰ শক্তিক সন্মান জনাই অসমত বিনিয়োগৰ আশা কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে আমি কোৰিয়া গণৰাজ্যৰ উদ্যোগসমূহক আমাৰ সৈতে সহযোগিতা কৰিবলৈ আমন্ত্ৰণ জনোৱাৰ বাবে আহিছো। এডভান্টেজ অসাম ২.০ ইনভেষ্টমেণ্ট কনক্লেভ গুৱাহাটীত ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব। ইতিমধ্যে অসমত বিনিয়োগ কৰা টাটা আৰু ভাৰতীয় ঔদ্যোগিকসকলে অংশগ্ৰহণ কৰিব। কোৰিয়াৰ উদ্যোগসমূহলৈ আমন্ত্ৰণ জনাই যদি কোনো কোৰিয়াৰ উদ্যোগে ভাৰতীয় কোম্পানীসমূহৰ সৈতে সহযোগিতা কৰিব বিচাৰে তেন্তে আমি সন্মিলনৰ সময়ত এই অংশীদাৰীত্ব গ্ৰহণ কৰিম। ভাৰতৰ ঔদ্যোগিক ক্ষেত্ৰ উত্তৰ-পূবৰ বিকাশৰ বাবে সাজু আৰু সহযোগিতাৰ বাবে সাজু। ছিউল ভ্ৰমণ বিনিয়োগকাৰীসকলক অসমক পৰিচয় কৰাবলৈ এক পদক্ষেপ। ডঃ শৰ্মাই আন্তঃগাঁথনি, বৈদ্যুতিক খণ্ড, মহাকাশ, নবীকৰণযোগ্য শক্তি আৰু পৰ্যটনৰ ক্ষেত্ৰত ৰাজ্যখনত বিনিয়োগত গুৰুত্ব দিছে। মোৰ দৃঢ় বিশ্বাস যে অসমত অটোমোবাইল নিৰ্মাণৰ বাতাবৰণৰ দ্বাৰা আমি উত্তৰ-পূৰ্বাঞ্চলৰ আৰ্থ-সামাজিক দৃশ্যপট সলনি কৰিব পাৰিম। আজি দক্ষিণ কোৰিয়াৰ অটোমোবাইল খণ্ডৰ প্ৰতিষ্ঠানসমূহৰ মুখ্য কাৰ্যবাহী বিষয়া আৰু নেতাসকলৰ সৈতে হোৱা বৈঠকত অসমত তেওঁলোকৰ এটা আধাৰ গঢ়ি তুলিবলৈ আহ্বান জনায়। ভাৰতৰ ১০০ বিলিয়ন ডলাৰৰ অটো উদ্যোগ আৰু দক্ষিণ-পূব এছিয়াত সহজ প্ৰৱেশাধিকাৰ কৰিবলৈ অসমে সমৰ্থন আগবঢ়াব বুলিও উল্লেখ কৰে মুখ্যমন্ত্ৰীয়ে। মুখ্যমন্ত্ৰী শৰ্মাই ছিউলত কোৰিয়া বাণিজ্য-বিনিয়োগ প্ৰচাৰ সংস্থাৰ সঞ্চালক, হাঞ্চেউং কিমৰ সঞ্চালক প্ৰধান, ইউনয়ং য়াঙৰ অধ্যক্ষ কিয়ংচুং কাঙৰ সৈতে মিলিত হয়। আজি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ছিউলত সংবাদ মাধ্যমকো সম্বোধন কৰে। ডঃ শৰ্মা দক্ষিণ কোৰিয়াৰ পৰা আজি জাপানলৈ যাব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# যাৱজ্জীৱন কাৰাদণ্ড দিলে পাঁচ ধৰ্ষকক

আৰক্ষী থানাৰ অন্তৰ্গত মাজবাট বাগানত সংঘটিত লোমহৰ্ষক গণধৰ্ষণ কাণ্ডৰ আজি ৰায়দান দিয়ে ওদালগুৰি জিলা আৰু সত্ৰ ন্যায়ধীশ এনএছ দেউৰীৰ আদালতে। ধৰ্ষণকাণ্ডত জড়িত পাঁচ অপৰাধী ক্ৰমে আভিজুল আলী, মোস্তাক আহমেদ, মহিদুল ইছলাম, এহছান আহমেদ আৰু ছাদ্দাম হুছেইনক আদালতে যাৱজ্জীৱন কাৰাগুণ্ডৰ লগতে প্ৰত্যেককে ২০ হাজাৰ টকাকৈ জৰিমণা বিহে। ঘটনা অনুসৰি যোৱা বৰ্ষৰ ২২ জুন তাৰিখে মাজবাটৰ ধনশিৰি চাহ বাগিচা এলেকাৰ এগৰাকী ১৭ বছৰীয়া ছাত্ৰীয়ে টিউচনলৈ বুলি ঘৰৰ পৰা মাজবাট অঞ্চললৈ ওলাই আহিছিল। কিন্তু উক্ত দিনাখন টিউচন নোহোৱাত ছাত্ৰীগৰাকী ঘৰলৈ যাবলৈ ওলায়। তেনে সময়ত ছাত্ৰীগৰাকীৰ এগৰাকী বন্ধু আহি পোৱাত তেওঁৰ বাইকতে ছাত্ৰীগৰাকীয়ে ঘৰলৈ বুলি ৰাওনা হয়। তেনে অৱস্থাত আবেলি প্ৰায় ৬ মান বজাত মাজবাট বাগানৰ ফেক্টৰীৰ পিছফালে আভিজুল আলী আৰু মোস্তাক আহমেদে আগচি ধৰি বাইকৰ চাবি কাঢ়ি নিয়ে। পাছত ছাত্ৰীগৰাকীৰ সৈতে বন্ধুজনক অপৰাধী দুজনে অন্য এটা জংঘলৰ স্থানলৈ নি প্ৰথমে মাৰধৰ কৰাৰ লগতে ছাত্ৰীগৰাকীৰ বন্ধুজনক আঠুকাঢ়িব দিছে। পাছত ঘটনাস্থলীত আন অপৰাধীকেইজন উপস্থিত হৈ ছাত্ৰীগৰাকীক মুখত কাপোৰ বান্ধি ছাত্ৰীগৰাকীক গণধৰ্ষণ কৰে। পাছত ঘটনা সন্দৰ্ভত কাকো নজনাবলৈ ভাবুকি প্ৰদান কৰি ঘটনাস্থলীৰ পৰা আতৰি যায়। ঘটনা সংঘটিত হোৱাৰ দিনাখন ছাত্ৰীগৰাকীয়ে সমগ্ৰ ঘটনাটো গোপনে ৰাখে যদিও পিছদিনাখন নিজৰ খুড়াক তথা আত্মীয়ক অৱগত কৰে। ঘটনা সন্দৰ্ভত ভুক্তভোগীৰ খুড়াকে মাজবাট আৰক্ষী থানাত এক এজাহাৰ দাখিত কৰাত আৰক্ষীয়ে ভাৰতীয় দণ্ডবিধি আইনৰ ৩৬৬, ৩৭৬(ডি), ৩২৩, ৫০৬ আৰু পকছো আইনৰ অধীনত ৩০/২০২৪ নম্বৰত এক গোচৰ ৰুজু কৰি তদন্ত আৰম্ভ কৰে। ইয়াৰ পাছত আৰক্ষীয়ে এজন এজনকৈ পাঁচজন অভিযুক্তক গ্ৰেপ্তাৰ কৰিছিল। সমান্তৰালভাৱে ২৫ জুনৰ পুৱতি নিশা গণধৰ্ষণৰ মূল অভিযুক্ত আভিজুল আলীক আৰক্ষীয়ে তদন্তৰ বাবে ঘটনাস্থলীলৈ লৈ যোৱাৰ সময়তে আভিজুলে আৰক্ষীৰ কবলৰ পৰা পলায়নৰ চেষ্টা কৰাত আৰক্ষীয়ে গুলি চলাবলৈ বাধ্য হয়। আৰক্ষীৰ এনকাউণ্টাৰত আহত আভিজুলক চিকিৎসাৰ বাবে তেজপুৰ চিকিৎসা মহাবিদ্যালয়লৈও প্ৰেৰণ কৰিছিল আৰক্ষীয়ে। ঘটনা সন্দৰ্ভত হত্যাকাৰীক শাস্তিৰ দাবীত মাজবাট অঞ্চল উত্তপ্ত হৈ থকাৰ সময়তে অসম চৰকাৰৰ মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই মাজবাটত উপস্থিত হৈ দল-সংগঠনৰ সৈতে আলোচনাত মিলিব হোৱাৰ সময়তে দোষী যাতে সাৰি যাব নোৱাৰে তাৰ বাবে আইনে ব্যৱস্থা লব বুলি আশ্বাস প্ৰদান কৰিছিল। মাজবাট আৰক্ষী থানাত ৰুজু হোৱা গোচৰটো পৰৱৰ্তী সময়ত ওদালগুৰি সত্ৰ ন্যায়ধীশ আদালতত ১৫৯/২০২৪ নম্বৰত ৰুজু হৈ শুনানি আৰম্ভ হয়। আদালতত হোৱা শুনানিৰ অন্তত আজি ওদালগুৰি জিলা আৰু সত্ৰ ন্যায়ধীশ এনএছ দেউৰীৰ আদালতে উক্ত ৰায় দিয়ে। ক্ষিপ্ৰ এই ৰায়দানত বিভিন্নজনে সন্তুষ্টি প্ৰকাশ কৰে।

# নীলবাগান মাদ্ৰাছায়ে জলিলীয়াত বাৰ্ষিক অনুষ্ঠান

**ই-সংবাদ, মোৰাঝাৰ, ২০ জানুৱাৰীঃ** হোজাই জিলাৰ অন্তৰ্গত নীলবাগানস্থিত আধুনিক শিক্ষাৰ প্ৰতিষ্ঠান মাদ্ৰাছায়ে জলিলীয়াৰ প্ৰথম বুখাৰী শ্বৰিফ আৰু তৃতীয় বাৰ্ষিক সমাৱৰ্তন ১৯ জানুৱাৰীৰ পুৱা ৯ বজাত আৰম্ভ হয়। দিনজোৱা বিভিন্ন কাৰ্যসূচীৰে আৰম্ভ হোৱা অনুষ্ঠানত মাদ্ৰাছা ছাত্ৰসকলে অসমীয়া, ইংৰাজী, উৰ্দু আদি বিভিন্ন ভাষাত বক্তৃতা প্ৰদান কৰি উপস্থিত থকা হাজাৰ হাজাৰ লোকক আকৰ্ষিত কৰে। সন্ধিয়া মাদ্ৰাছাৰ এখন স্থায়ী মছজিদ নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰা হয়। উল্লেখ্য যে, চৌদি আৰবৰ মদিনা শ্বৰিফৰ প্ৰাক্তন ইমামৰ ইমামতিত মাগৰিবৰ নামাজ আদায় কৰিবলৈ ৰাইজে ভিৰ কৰা পৰিলক্ষিত হয় । উত্তৰ পূব ভাৰত নদৱাতুত তামিৰৰ আমীৰে শ্বৰিয়ত মৌলানা ইউছুফ আলীৰ সভাপতিত্বত অনুষ্ঠিত হোৱা মুকলি সভাত প্ৰধান অথিতি হিচাপে দাৰুল উলুম নদৱাতুল লক্ষ্ণৌৰ খেইখুল হাদীছ হজৰত মৌলানা খালিদ গাজীপুৰী নদৱী চাহাব উপস্থিত থাকি বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত বিশিষ্ট অথিতি হিচাপে প্ৰাক্তন অধ্যাপক, মছজিদে নববীৰ কুল্লিয়াতুশ্বৰীয়াহ, মদিনা শ্বৰিফ আৰু কাছিম বিশ্ববিদ্যালয়, মক্কা শ্বৰিফৰ ডঃ হজৰত মৌলানা মুফতি মহম্মদ আলী শ্বফিক হিজাজী চাহাব উপস্থিত থাকি মাগৰিবৰ নামাজত ইমামতি কৰাৰ লগতে মুকলি সভাত ভাষণ প্ৰদান কৰি অসমৰ মানুহৰ মৰম, স্নেহ আৰু আতিথ্যৰ শলাগ লয়। এই অনুষ্ঠানত সন্মানীয় অতিথি হিচাপে জমিয়ত নেতা মৌলানা মুস্তাক আহমেদ আনফৰ, প্ৰাক্তন বিধায়ক আতাউৰ ৰহমান মাজাৰভূঞাৰ লগতে অন্যান্য বিশিষ্ট আলিম, শিক্ষাবিদসকল উপস্থিত থাকে। উল্লেখ্য যে এই অনুষ্ঠানত মুখ্য অতিথি লক্ষ্ণৌৰ খালিদ গাজীপুৰী নদৱী চাহাবক মঞ্চৰ কাষত বহুৱাই থৈ সভাৰ সভাপতি ইউছুফ আলীয়ে বুখাৰী পঢ়োৱাক লৈ সচেতন মহলত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়।

## বিধায়ক শ্বেৰমান আলীয়ে আৰম্ভ কৰা আঁচনি আধাতে বন্ধ! আঢ়ৈ কোটিৰ অপচয়

# প্ৰহসনত পৰিণত বৈঠাপুতা সত্ৰত ব্ৰহ্মপুত্ৰৰ খহনীয়া ৰোধৰ ব্যৱস্থা

**ই-সংবাদ, বৰপেটাৰোড, ২০ জানুৱাৰীঃ** মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ পদধূলাৰে ৰঞ্জিত ঐতিহাসিক বৈঠাপুতা সত্ৰ পুনৰ ব্ৰহ্মপুত্ৰৰ বুকুত জাহ যোৱাৰ পথত। জলসম্পদ বিভাগৰ একাংশ বিষয়া আৰু ঠিকাদাৰৰ মইমতালি আৰু অনীহাৰ বাবে ব্ৰহ্মপুত্ৰ নদীৰ তীব্ৰ খহনীয়াই সত্ৰখনৰ লগতে ইতিমধ্যে সংখ্যালঘুত পৰিণত হোৱা খিলঞ্জীয়া ৩০ টা পৰিয়ালৰ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তাৰ প্ৰতি চৰম ভাবুকিৰ সৃষ্টি কৰিছে। এই সন্দৰ্ভত অসম সত্ৰ মহাসভাৰ উত্তৰ-পশ্চিম মণ্ডলৰ সাংস্কৃতিক সম্পাদক যুগান্ত বায়ন আৰু সত্ৰ মহাসভাৰ বৰপেটা জিলা সমিতিৰ সভাপতি গোবিন্দ তালুকদাৰে কয় যে অসম চৰকাৰে ২০২১-২২ চনৰ বিত্তীয় বৰ্ষতে এছ ডি আৰ এফ শিতানত অনুমোদন দিয়া ২ কৌটি ৩৯ লাখ ১০ হেজাৰ ৫০০ টকাৰ এই অভিলাসী আঁচনিখন ৰূপায়ণ কৰিবলৈ ২০২৩ চনৰ ১৫ জুলাইত বৰপেটা জিলাৰ তদানীন্তন উপায়ুক্ত আয়ুষ গাৰ্গৰ উপস্থিতিত বাঘবৰৰ বিধায়ক শ্বেৰমান আলীয়ে আৰম্ভ কৰা আঁচনিখন ২০২৪ চনৰ জুলাই মাহলৈকে বাস্তৱিক ৰূপত কাৰ্যকৰী নোহোৱাৰ ফলত ব্ৰহ্মপুত্ৰ নদীৰ খহনীয়াই ভয়াবহ ৰূপ ধাৰণ কৰি সত্ৰখনৰ অস্তিত্বক এক অনিশ্চয়তাৰ মাজলৈ কঢ়িয়াই লৈ গ'ল। বৈঠাপুতা সত্ৰ সমিতি, সংবাদ মাধ্যম আৰু সত্ৰ মহাসভাৰ অহৰহ হেঁচাৰ ফলত ২০২৪ চনৰ আগষ্ট মাহত নদীখনে সৃষ্টি কৰা খহনীয়া ৰোধ কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰা হয়। কিন্তু অতি পৰিতাপৰ কথা যে, আঁচনিখনৰ ৰূপায়ণৰ দায়িত্বত থকা জলসম্পদ বিভাগ আৰু ঠিকাদাৰৰ বেপেৰুৱা মনোভাৱৰ বাবে খহনীয়া ৰোধ কৰিবলৈ ব্যৱহাৰ কৰা জিঅ'টিউব আৰু পাৰ্কুপাইনসমূহ যেনেধৰণে বিজ্ঞানসন্মতভাৱে বহুৱাব লাগিছিল তেনেধৰণে নবহুৱাৰ ফলত অতি সম্প্ৰতি সত্ৰ সংযোগী একমাত্ৰ পথটোৰ মাজত ব্ৰহ্মপুত্ৰৰ খহনীয়াই এক বৃহৎ ফাঁটৰ সৃষ্টি কৰিছে। সত্ৰখনলৈ যোৱা পথটোৰ পকী দলংখনৰ সমীপতে সৃষ্টি হোৱা এই ফাঁটটো তৎকালীনভাৱে মেৰামতি নকৰিলে অহা বাৰিষাৰ সময়ত সত্ৰখন আৰু খিলঞ্জীয়া লোকসকল মূলসুঁতিৰ জনজীৱনৰ পৰা সম্পূৰ্ণভাৱে বিচ্ছিন্ন হৈ পৰিব বুলি স্থানীয় ৰাইজ সংকিত হৈ পৰিছে। বৈঠাপুতা ঘাটৰ সচেতন ৰাইজে উত্থাপন কৰা অভিযোগ অনুসৰি ঠিকাদাৰে যধে-মধে জিঅ'টিউব আৰু পাৰ্কুপাইনসমূহ ব্যৱহাৰ কৰাৰ ফলত এই আঁচনিখন আজি ব্যৰ্থ হোৱাৰ পথত। আঁচনিখন কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত দেখা দিয়া এনে আসোঁৱাহবোৰ বিধানসভাৰ মজিয়াত স্থানীয় বিধায়কগৰাকীয়ে উত্থাপন কৰাৰ পিছতো ঠিকাদাৰ আৰু জলসম্পদ বিভাগৰ একাংশৰ চৰম উদাসীনতাৰ বাবে আজি সত্ৰীয়া ঐতিহ্যৰ এক অমূল্য অৱদান ইতিহাস হোৱাৰ দিশে আগবাঢ়িছে বুলি মতপ্ৰকাশ কৰি অসম সত্ৰ মহাসভাৰ বৰপেটা জিলা সমিতিয়ে অসমৰ মুখ্যমন্ত্ৰীক উল্লিখিত আঁচনিখন কাৰ্যক্ষম কৰাৰ বাবে ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ কৰি সত্ৰখনৰ লগতে খিলঞ্জীয়াৰ ভৱিষ্যত সুৰক্ষিত কৰিবলৈ আহ্বান জনাইছে।

# জাঁজী হাঁহচৰাত মৃত্যু দিৱসত সিংহযুৱক ললিত চন্দ্ৰ ৰাজখোৱাক স্মৰণ



**ই-সংবাদ, মৰিয়নি, ২০ জানুৱাৰীঃ** যোৰহাট জিলাৰ জাঁজী হাঁহচৰাত আজি প্ৰাক্তন কেবিনেট মন্ত্ৰী, টীয়ক সমষ্টিৰ প্ৰাক্তন বিধায়ক, সিংহযুৱক প্ৰয়াত ললিত চন্দ্ৰ ৰাজখোৱাৰ ৩৫ সংখ্যক মৃত্যু দিৱসত প্ৰয়াত নেতাগৰাকীলৈ গভীৰ শ্ৰদ্ধা নিবেদন কৰা হয়। উল্লেখ্য যে, ১৯৯০ চনৰ ২০ জানুৱাৰীত জাঁজী হাঁহচৰাত সংঘটিত এক পথ দুৰ্ঘটনাত প্ৰাণ হেৰুৱাইছিল ললিত চন্দ্ৰ ৰাজখোৱাই। আজি ছাত্ৰনেতাগৰাকীৰ ৩৫ সংখ্যক মৃত্যু দিৱসৰ লগত সংগতি ৰাখি জাঁজী হাঁহচৰাৰ পূৱেৰুণ কৃষ্টি সমাজৰ প্ৰেক্ষাগৃহত স্বৰ্গীয় ললিত চন্দ্ৰ ৰাজখোৱা স্মৃতি সুৰক্ষা মঞ্চৰ উদ্যোগত আয়োজিত স্মৃতি দিৱসৰ অনুষ্ঠানত পুৱা ৯ বজাত পতাকা উত্তোলন কৰে স্বৰ্গীয় ললিত চন্দ্ৰ ৰাজখোৱা স্মৃতি সুৰক্ষা মঞ্চৰ সভাপতি ৰাজেন্দ্ৰ নাথ হাজৰীকাই। আনহাতে, সিংহ যুৱকজনৰ ৩৫ সংখ্যক মৃত্যু বাৰ্ষিকীৰ লগত সংগতি ৰাখি পুৱা ৯.৩০ বজাত ৩৫ গৰাকী বিশিষ্ট ব্যক্তিৰ দ্বাৰা বন্তি প্ৰজ্বলন কৰা হয়। এই অনুষ্ঠানত প্ৰয়াত ৰাজখোৱাৰ ভগ্নী জ্যোতিমালী ৰাজখোৱা আৰু ভ্ৰাতৃ হৰেণ ৰাজখোৱাৰ লগতে শ্ৰীশ্ৰী ৰত্নাকৰ সত্ৰৰ প্ৰবীণ গোস্বামীয়ে অংশ গ্ৰহণ কৰে। পুৱা ১০ বজাত স্মৃতি তৰ্পণ কৰে প্ৰয়াত ৰাজখোৱাৰ জ্যেষ্ঠ ভাতৃ হৰেণ ৰাজখোৱা আৰু পৰিয়ালবৰ্গই। অনুষ্ঠানত শ্বহীদ পৰিয়ালসহ ৩৫ গৰাকী বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়। আনহাতে, ১১.০০ বজাত এখন সৰ্ব ধৰ্মীয় প্ৰাৰ্থনা সভা অনুষ্ঠিত হয়। ইয়াৰ পিছতে দুপৰীয়া অনুষ্ঠিত হোৱা লগা মুকলি সভা উদ্বোধন কৰে মৰিয়নি সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে। সভাত আদৰণি ভাষণ দিয়ে উদযাপন সমিতিৰ সভাপতি দেৱকান্ত বৰুৱাই। মুকলি সভাত দেৰগাঁও সমষ্টিৰ বিধায়ক ভবেন্দ্ৰ নাথ ভৰালী, প্ৰাক্তন বিধায়ক হেমন্ত কলিতা, একালৰ আছু নেতা পবিত্ৰ প্ৰাণ ভট্টাচাৰ্য, প্ৰাক্তন আছু নেতাৰ দুষ্যন্ত মাধৱ শৰ্মা, প্ৰাক্তন আছু নেতা ডঃ যোগেশ বৰাৰ লগতে বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। স্থানীয় মহিলাসকলৰ দ্বাৰা পৰিৱেশিত সমবেত সংগীতেৰে আৰম্ভ হোৱা অনুষ্ঠানত শলাগৰ শৰাই আগবঢ়ায় উদযাপন সমিতিৰ সম্পাদক ৰাতুল গগৈয়ে। আনহাতে, অনুষ্ঠানত স্মৃতি দিৱসৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা চিত্ৰাংকন প্ৰতিযোগিতাৰ বঁটাসমূহ প্ৰদান কৰা হয়। অনুষ্ঠানত স্থানীয় ৰাইজে সহযোগিতা আগবঢ়ায়।

# যোৰহাট জিলা মহিলা কংগ্ৰেছ কমিটীৰ সাংগঠনিক সভা সম্পন্ন



**ই-সংবাদ, যোৰহাট, ২০ জানুৱাৰীঃ** সমাগত পঞ্চায়ত নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি আজি যোৰহাট জিলা মহিলা কংগ্ৰেছ কমিটীয়ে জিলা কংগ্ৰেছ ভৱনত এখনি সাংগঠনিক সভা অনুষ্ঠিত কৰে। জিলা মহিলা কংগ্ৰেছ কমিটীৰ সভানেত্ৰী বন্তি গন্ধিয়াৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনত জিলা কংগ্ৰেছ কমিটীৰ সভাপতি পুতুল বুঢ়াগোহাঁই, প্ৰদেশ কংগ্ৰেছ কমিটীৰ সাধাৰণ সম্পাদক চৰিফুৰ ৰহমান, প্ৰদেশ মহিলা কংগ্ৰেছ কমিটীৰ সাধাৰণ সম্পাদিকা জয়া বৰুৱা, তিতাবৰ ব্লক কংগ্ৰেছ কমিটীৰ সভাপতি অনিল চুতীয়া, উত্তৰ-পশ্চিম ব্লক কংগ্ৰেছ কমিটীৰ সভাপতি মনজিত চাংমাই, জিলা সাধাৰণ সম্পাদিকা তথা জিলা মহিলা কংগ্ৰেছ কমিটীৰ তত্বাৱধায়িকা বাসন্তী কলিতা শইকীয়া, জিলা কংগ্ৰেছ কমিটীৰ কোষাধ্যক্ষ জয়ন্ত বৰুৱা, জিলা কংগ্ৰেছ কমিটীৰ সাধাৰণ সম্পাদক উমানন্দ নেওগ, ইন্দ্ৰজিত পেগু, প্ৰশান্ত বৰা, লুইত কোঁৱৰ, বিপুল বৰা, সুনীল গগৈ, ব্লক মহিলা কংগ্ৰেছ, মণ্ডল মহিলা কংগ্ৰেছ কমিটীৰ বহু বিষয়ববীয়া উপস্থিত থাকে। সভাখনিত জিলা কংগ্ৰেছ কমিটীৰ সভাপতি পুতুল বুঢ়াগোহাঁইয়ে বক্তব্য প্ৰদান কৰি কয় যে মহিলা কংগ্ৰেছ কমিটীৰ সকলো সদস্যই আগন্তুক পঞ্চায়ত নিৰ্বাচনত নিজ দলৰ সাংগঠনিক স্থিতি শক্তিশালী কৰি দলে প্ৰাৰ্থিত্ব প্ৰদান কৰা প্ৰাৰ্থীসকলক জয়যুক্ত কৰাই বিজেপি চৰকাৰৰ অপশাসনৰ পৰা জনসাধাৰণক মুক্ত কৰিব লাগিব। সভাত জয়া বৰুৱা, প্ৰভাত কলিতা, বাসন্তী কলিতা, চৰিফুৰ ৰহমান, প্ৰশান্ত বৰা, হেমকান্ত বুঢ়াগোহাঁয়ে আগন্তুক পঞ্চায়ত নিৰ্বাচন আৰু সাংগঠনিক দিশৰ ওপৰত বক্তব্য আগবঢ়ায়। আজিৰ সভাতেই জিলা মহিলা কংগ্ৰেছ কমিটীয়ে দিব্যা দত্তক পূব-টীয়ক মহিলা ব্লক কংগ্ৰেছ কমিটীৰ সভানেত্ৰী, কৃষ্ণা পেগুক পূব-টীয়ক ব্লক কংগ্ৰেছ কমিটীৰ কাৰ্যকৰী সভানেত্ৰী, গীতালি সন্দিকৈক উত্তৰ-পশ্চিম মহিলা কংগ্ৰেছ কমিটীৰ সভানেত্ৰী, পৰি শইকীয়াক মধ্য যোৰহাট ব্লক মহিলা কংগ্ৰেছ কমিটীৰ সভানেত্ৰী আৰু ৰুবি বুঢ়াগোহাঁইক তিতাবৰ ব্লক মহিলা কংগ্ৰেছ কমিটীৰ কাৰ্যকৰী সভানেত্ৰীৰ দায়িত্ব অৰ্পণ কৰে।

## সুৰাৰ ৰাগীত সামান্য কথাতে হত্যা কৰিলে পত্নী টুটুমণিক

# সুৰাপায়ী স্বামীয়ে হত্যা কৰিলে পত্নীক, স্বামীক জে'ললৈ

**ই-সংবাদ, পশ্চিম যোৰহাট, ২০ জানুৱাৰীঃ** যোৰহাট পুলিবৰ থানাৰ এলেকাৰ সৰুচৰাই যাদৰপুৰ গাঁৱত ১৮ জানুৱাৰীৰ নিশা সুৰাপায়ী স্বামীয়ে পত্নীক হত্যা কৰি এক নাটক ৰচনা কৰাৰ খবৰে অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। ঘটনাৰ বিৱৰণী মতে, মাজুলী জিলাৰ দক্ষিণপাটৰ চুমু দাস (৩৬)-এ যোৰহাটৰ সৰুচৰাই চাহ বাগিচাৰ কাষৰ যাদৰপুৰ গাঁৱৰ টুটুমণি দাস (৩২)-ক বিয়া কৰাই শহুৰেকৰ ঘৰতে দুয়ো আছিল। তেওঁলোকৰ দহবছৰীয়া এটি পুত্ৰ আৰু ছয়বছৰীয়া এগৰাকী কন্যা সন্তানো আছে। শহুৰেকে পুৰণা ঘৰ জী-জোঁৱায়েকক দি নতুনকৈ আঁতৰত বাসগৃহ সাজি পৃথকে থকাৰ লগতে চুমু আৰু টুটুমণি দাসৰ পুত্ৰ সন্তানটোকো ককাক-আইতাকৰ লগতে ৰাখে। চুমু দাসে সুৰাপান কৰি প্ৰায়ে পত্নী টুটুমণি দাসৰ সৈতে কাজিয়াত লিপ্ত হয়। ঘটনাৰ দিনাও তেওঁলোকৰ কাজিয়া হৈছিল বুলি স্থানীয় লোকে অৱগত কৰিছে। চুমু দাসে টুটুমণি দাসক হত্যা কৰি ওলোমাই দিয়া কাৰ্য কন্যা সন্তানটিয়ে প্ৰত্যক্ষ কৰিছিল। টুটুমণি দাসৰ মৃত্যু হোৱাৰ পাছত ১৯ জানুৱাৰীৰ পুৱা চুমু দাসে টুটুমণি দাসক যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ চিকিৎসালয়লৈ লৈ যায়। চিকিৎসকে টুটুমণি দাসক পৰীক্ষা কৰি ডিঙিত চিপজৰী লগাই হত্যা কৰাৰ দাগ প্ৰত্যক্ষ কৰে। লগে লগে চিকিৎসা মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই স্থানীয় আৰক্ষীক বিষয়টো অৱগত কৰাত আৰক্ষীয়ে চুমু দাসক কৰায়ত্ত কৰি পুলিবৰ থানাৰ আৰক্ষীক গতাই দিয়ে। মাতৃক চিকিৎসালয়লৈ নিয়াৰ পাছতে কণমানি কন্যা সন্তানটিয়ে পাপাই মাকক মাৰি ৰছী লগাই ওলোমাই দিয়ে বুলি ককাক-আইতাকৰ লগতে স্থানীয় লোকক অৱগত কৰে। এই কথা সৰ্বত্ৰে প্ৰচাৰ হোৱাত চাঞ্চল্যৰ সৃষ্টি হয়। স্থানীয় গাঁওৰক্ষী বাহিনীয়েও লগে লগে পুলিবৰ থানাৰ আৰক্ষীক বিষয়টো অৱগত কৰে। পুলিবৰ থানাৰ আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ পৰ্যবেক্ষণ কৰাৰ লগতে শিশুটিৰ ভাষ্য গ্ৰহণ কৰে। আজি আদালতত হাজিৰ কৰাই আৰক্ষীয়ে চুমু দাসক জে'ললৈ প্ৰেৰণ কৰে। কন্যা সন্তানটি বৰ্তমান ককাক-আইতাকৰ সৈতে আছে।

# কামৰূপৰ বংশৰত নামঘৰত চোৰৰ উপদ্ৰৱ! নিৰ্বিকাৰ আৰক্ষী-প্ৰশাসন

**ই-সংবাদ, শুৱালকুছি, ২০ জানুৱাৰীঃ** কামৰূপ জিলাৰ শুৱালকুছি আৰক্ষী থানাৰ অন্তৰ্গত বিভিন্ন ঠাইৰ লগতে বংশৰ অঞ্চলত ভোগালী বিহুৰ সময়ছোৱাত ৰাজহুৱা নামঘৰ, মন্দিৰ আদিত ধাৰাবাহিকভাৱে সংঘটিত হোৱা চুৰি কাণ্ডৰ ঘটনাত চিন্তিত হৈ পৰিছে বংশৰ অঞ্চলৰ সচেতন ৰাইজ। প্ৰাপ্ত তথ্য মতে, যোৱা নিশা শুৱালকুছি আৰক্ষী থানাৰ অন্তৰ্গত বংশৰৰ ঐতিহাসিক শ্ৰীশ্ৰী গোপালথান মন্দিৰৰ প্ৰৱেশ দ্বাৰৰ তলা ভাঙি চোৰে মন্দিৰ সংলগ্ন সভাগৃহত থকা ১১ টাকৈ ডাঙৰ কাঁহৰ টিলিঙা শিকলি কাটি লৈ যায়। টিলিঙাকেইটাৰ মূল্য প্ৰায় ৫০ হাজাৰ টকা হ'ব বুলি গোপালথান মন্দিৰ পৰিচলনা সমিতিৰ সম্পাদৰ প্ৰদীপ দাসে জানিবলৈ দিয়ে। উল্লেখ্য ভোগালীৰ বিহুৰ সময়ছোৱাত বংশৰ অঞ্চলৰ চাৰিটাকৈ মন্দিৰ, নামঘৰত চুৰি কাৰ্য সংঘটিত হৈছে। চোৰে মন্দিৰৰ তলা ভাঙি বাচন-বৰ্তন, শৰাই আদি চুৰি কৰি নিয়ে। আনহাতে, ইয়াৰ সমান্তৰালভাৱে বংশৰ অঞ্চলত কিছুদিন পূৰ্বে কেবাজনো কৃষকৰ ঘৰৰ গোহালিৰ পৰাই কেইবাটাও পশুধন চুৰি কৰি নিয়ে। সঘনাই সংঘটিত হৈ থকা চুৰি কাণ্ডত অতিষ্ঠ হৈ পৰা বংশৰ অঞ্চলৰ সৰ্বসাধাৰণ ৰাইজে কামৰূপ জিলা প্ৰশাসনক এই ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে।

# ৰাইদঙীয়াৰ ক'ৰচুং শ্বহীদ স্মৃতি খেলপথাৰত অসমী ভোগালী মেলা

**ই-সংবাদ, বেবেজীয়া, ২০ জানুৱাৰীঃ** নগাঁও জিলাৰ ৰাইদঙীয়াৰ ক'ৰচুং শ্বহীদ স্মৃতি খেলপথাৰত সাৰংগ মণ্ডল পৰ্যায়ৰ সংগঠনৰ সৌজন্যত ৰাইদঙীয়া, আইভেটি আৰু হাতীযুঁজোৱা গাঁও পঞ্চায়তৰ আত্মসহায়ক গোটৰ সহযোগত দুদিনীয়াকৈ আয়োজিত অসমী ভোগালী মেলাৰ দেওঁবাৰে নিশা সামৰণি পৰে। প্ৰথম দিনা পুৱা পৰিৱেশ নিকাকৰণৰ পিছতে পতাকা উত্তোলন আৰু বন্তি প্ৰজ্বলনৰ দ্বাৰা কাৰ্যসূচীৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে খণ্ড প্ৰকল্প প্ৰবন্ধক মণিকুন্তল বৰাই। ইয়াৰ পিছতে স্থানীয় অঞ্চলৰ মাজেৰে উলিওৱা সাংস্কৃতিক শোভাযাত্ৰাৰ শুভাৰম্ভ কৰে জিলা প্ৰকল্প প্ৰবন্ধক চন্দন তালুকদাৰে। দুপৰীয়া ভোগালী মেলা উদ্বোধন কৰি স্থানীয় বিধায়ক ৰূপক শৰ্মাই সোনাইপৰীয়া সভ্যতাৰ বোকোচাত জ্যোতিস্মান ৰাইদঙীয়া অঞ্চলৰ আইমাতৃ সকলৰ প্ৰচেষ্টাত নতুনকৈ আৰম্ভ হোৱা অসমী ভোগালী মেলাৰ প্ৰতিগৰাকী উদ্যোক্তাক কৃতজ্ঞতা জ্ঞাপন কৰে। বিয়লি চিত্ৰাংকন প্ৰতিযোগিতাৰ অন্তত অঞ্চলৰ বয়োজ্যেষ্ঠ ব্যক্তি সকলক সম্বৰ্ধনা জনোৱা হয়। নিশা অনুষ্ঠিত হোৱা বাৰেৰহনীয়া সাংস্কৃতিক অনুষ্ঠানত স্থানীয় ন-পুৰণি শিল্পীসকলে গীত-নৃত্যৰ মনোমোহা অনুষ্ঠান পৰিৱেশন কৰে। ইফালে, দ্বিতীয় দিনা পুৱা পৰিৱেশ নিকাকৰণ আৰু ধৰ্মীয় প্ৰাৰ্থনাৰ অন্তত দুপৰীয়া অনুষ্ঠিত হোৱা মুকলি কুইজ প্ৰতিযোগিতাখনি পৰিচালনা কৰে সাংবাদিক দিব্যজ্যোতি বৰুৱাই। বিয়লি বঁটা বিতৰণী অনুষ্ঠান অনুষ্ঠিত কৰা হয়। নিশা অনুষ্ঠিত হোৱা কণ্ঠশিল্পী গীতাৰ্থ গিৰিণৰ সংগীতানুষ্ঠানৰ দ্বাৰা অসমী ভোগালী মেলাৰ সামৰণি পেলোৱা হয়।

# সোণোৱাল কছাৰী সাহিত্য সভাৰ ডিব্ৰুগড় জিলাৰ অধিৱেশন সম্পন্ন

**ই-সংবাদ, ডিব্ৰুগড়, ২০ জানুৱাৰীঃ** সোণোৱাল কছাৰী সাহিত্য সভাৰ ডিব্ৰুগড় জিলা সমিতিৰ অধিৱেশন এদিনীয়া বিস্তৃত কাৰ্যসূচীৰে দেওবাৰে টিংখাং অঞ্চলৰ ন-খাট উচ্চ মাধ্যমিক বিদ্যালয়ত সফলতাৰে সম্পন্ন হৈ যায়। পুৱাৰ ভাগত আদৰণী সমিতিৰ সভাপতি ভুৱনেশ্বৰ সোণোৱালে অধিৱেশন ক্ষেত্ৰ মুকলি কৰাৰ পিছত অধিৱেশনৰ পতাকা উত্তোলন কৰে জিলা সমিতিৰ সভাপতি দিব্য সোণোৱালে। স্মৃতি তৰ্পণৰ শুভাৰম্ভ কৰে সম্পাদক আদিত্য কুমাৰ সোণোৱালে। আনহাতে, সোণোৱাল জনজাতিৰ আৰাধ্য দেৱতা খ্ৰীং খ্ৰীং বাইথ'ৰ নামত চাৰিমুখীয়া চাকি প্ৰজ্বলন কৰে বাইথ'গুৰু লাচিত সোণোৱালে। প্ৰদৰ্শনীৰ দ্বাৰ মুকলি কৰে স্থানীয় সমাজকৰ্মী অনিল সোণোৱালে। প্ৰতিনিধি শিবিৰ মুকলি কৰে জিলা সমিতিৰ প্ৰাক্তন সভাপতি, মুখ্য উপদেষ্টা ফুলেশ্বৰ শইকীয়াই। জিলাখনৰ বিভিন্ন প্ৰান্তৰ বাৰখন শাখাৰ অৰ্ধ শতাধিক প্ৰতিনিধিৰ উপস্থিতিত অনুষ্ঠিত হয় প্ৰতিনিধি আৰু বিষয়বাচনি সভা। সভাপতি দিব্য সোণোৱালৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত বিগত দুবছৰীয়া কাৰ্যকালৰ খতিয়ান আৰু আয়-ব্যয়ৰ প্ৰতিবেদন পাঠ কৰে সম্পাদক আদিত্য কুমাৰ সোণোৱালে। উক্ত সভাতেই সৰ্বসন্মতিক্ৰমে আগন্তুক দুবছৰৰ বাবে পুনৰ দিব্য সোণোৱালক সভাপতি, আদিত্য কুমাৰ সোণোৱালক সম্পাদক হিচাপে লৈ এখন নতুন সমিতি গঠন কৰা হয়। দুপৰীয়া মাহেকীয়া 'সোণোৱাল বাৰ্তা' কাকতৰ সম্পাদক তথা জ্যেষ্ঠ সাংবাদিক ৰতন হাজৰিকাৰ সঞ্চালনাত অনুষ্ঠিত গীত-মাত, কবিতা পাঠৰ এক ৰসাল অনুষ্ঠান 'সোণোৱালৰ সোণোৱালী সাহিত্য অনুষ্ঠান' উদ্বোধন কৰে সোণোৱাল কছাৰী সাহিত্য সভাৰ সম্পাদক তথা প্ৰকাশন সচিব দিগন্ত হাজৰিকাই। এই অনুষ্ঠানত বিভিন্নজনে তেওঁলোকৰ কথিত ভাষাত গীত-মাত, কবিতা পাঠৰ জৰিয়তে অনুষ্ঠানটি জীপাল কৰি তোলে। এই অনুষ্ঠানতে ন-খাট গাঁৱৰ সত্তৰোৰ্ধৰ ব্যক্তি উমা হাজৰিকাই ৬০ কিলোগ্ৰাম ওজনৰ দগা দাঁতেৰে কামুৰি দাঙি ধৰা আৰু ইটা চোবাই খাই অদ্ভুত কলা প্ৰদৰ্শনেৰে সকলোকে আচৰিত কৰি তোলে। গাঁওখনৰ এই অনুষ্ঠানতে নখাট অঞ্চলৰ লেছেৰী আৰু টেপৰগুৰিৰ লগবিহুও প্ৰদৰ্শন কৰা হয়। নৱ নিৰ্বাচিত সভাপতি দিব্য সোণোৱালৰ পৌৰোহিত্যত অনুষ্ঠিত মুকলি সভা উদ্বোধন কৰে সোণোৱাল কছাৰী সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি, মুখ্য উপদেষ্টা তথা সাহিত্যিক পেঞ্চনাৰ গুণেশ্বৰ সোণোৱালে। আদৰণি ভাষণ প্ৰদান কৰে সভাপতি ভুৱনেশ্বৰ সোণোৱালে। সম্পাদক আদিত্য কুমাৰ সোণোৱালে আঁত ধৰা এই সভাতেই মুঠ তিনিখন গ্ৰন্থ উন্মোচন কৰা হয়। ইয়াৰে জিলা সমিতিৰ মুখপত্ৰ 'লৌহিত্য' উন্মোচন কৰে সোণোৱাল কছাৰী সাহিত্য সভাৰ সম্পাদক, গল্পকাৰ প্ৰশান্ত শইকীয়াই। আদৰণী সমিতিৰ স্মৃতিগ্ৰন্থ 'ৰেঙণি' উন্মোচন কৰে 'বকুল বন'ৰ বঁটা প্ৰাপক, শিল্পী পেঞ্চনাৰ মণিৰাম সোণোৱালে আৰু দিব্য সোণোৱালৰ গ্ৰন্থ 'বিচিত্ৰ মন বিচিত্ৰ চিন্তা' উন্মোচন কৰে সোণোৱাল কছাৰী সাহিত্য সভাৰ মুখ্য সম্পাদক মৃদুল সোণোৱালে। অনুষ্ঠানত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি সভাৰ সভাপতি মোহন সোণোৱালে সভাৰ লক্ষ্য-উদ্দেশ্য আৰু কাম-কাজ ইত্যাদি সামৰি বক্তব্য আগবঢ়ায়। সভাত আদৰণী সমিতিৰ সম্পাদক ভুৱন সোণোৱালে শলাগ জ্ঞাপন কৰা সভাত সভাৰ কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়া মহানন্দ সোণোৱাল, তোযেশ্বৰ সোণোৱাল, কুসুম সোণোৱাল শইকীয়া, সদস্য নেত্ৰ বড়া, ডম্বৰুধৰ সোণোৱাল, ললেন সোণোৱাল, অসম চৰকাৰৰ শিল্পী পেঞ্চনাৰ লীলা শইকীয়া, সোণোৱাল স্বায়ত্তশাসিত পৰিষদৰ চহৰীকটা সমষ্টিৰ সদস্যা দুলেশ্বৰী সোণোৱাল, স্থানীয় অৱসৰপ্ৰাপ্ত শিক্ষক, সমাজকৰ্মী নাৰায়ণ সোণোৱাল, কামিনীকান্ত সোণোৱালৰ লগতে সোণোৱাল কছাৰী ছাত্ৰ সন্থাৰ সভাপতি দেৱানন্দ চেলেং, নাৰী সন্থাৰ সভাপতি ৰশ্মিৰেখা সোণোৱাল, সোণোৱাল কছাৰী কালছাৰেল ছ'চাইটিৰ মুখ্য সচিব ভক্তিপ্ৰসাদ সোণোৱালকে ধৰি স্থানীয় ন-খাট অঞ্চলৰ তিনি শতাধিক সাহিত্যপ্ৰেমী উপস্থিত থাকে।

# কুশতলিত শ্ৰীমন্ত শংকৰৰ গুৰু নামধৰ্ম জনজাতি সমাজৰ সোণালী জয়ন্তী আৰু কেন্দ্ৰীয় অধিৱেশন

ই-সংবাদ, লাহৰীঘাট, ২০ জানুৱাৰীঃ শ্ৰীমন্ত শংকৰ গুৰু নামধৰ্ম জনজাতি সমাজ, অসমৰ সোণালী জয়ন্তী তথা ২৫ সংখ্যক দ্বি-বাৰ্ষিক কেন্দ্ৰীয় অধিৱেশনখন মৰিগাঁও জিলাৰ কুশতলিত ১৯ জানুৱাৰীৰ পৰা তিনিদিনীয়াকৈ অনুষ্ঠিত হৈছে। কুশতলি সাৰ্বজনীন ৰাস মন্দিৰ প্ৰাংগণত বৈকুণ্ঠ গামী লক্ষীৰাম পাতৰ সোঁৱৰণী ক্ষেত্ৰত অনুষ্ঠিত সমাজৰ সোণালী জয়ন্তী তথা কেন্দ্ৰীয় অধিৱেশনৰ আজি দ্বিতীয় দিনৰ কাৰ্যসূচী অনুষ্ঠিত হয়। এই উপলক্ষে পুৱা মূল ধৰ্ম ধ্বজাৰ লগতে সমাজৰ পাঁচোটা মাণ্ডলিকৰ ৫ খন পতাকা আৰু সোণালী জয়ন্তী বৰ্ষৰ লগত সংগতি ৰাখি ৫০ খনকৈ পতাকা উত্তোলন কৰা হয়। মূল পতাকাখন উত্তোলন কৰে সমাজৰ কেন্দ্ৰীয় পদাধিকাৰ প্ৰদীপ কুমাৰ বৰদলৈয়ে। ইয়াৰ পূৰ্বে পুৱা শৰাই অৰ্চন, খোল প্ৰসংগ, নাম প্ৰসংগ আৰু স্মৃতি তৰ্পণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। স্মৃতি তৰ্পণ কৰে ক্ৰমে সমাজৰ কেন্দ্ৰীয় সমিতিৰ সচেতক চুচেন বৰদলৈ, প্ৰাক্তন উপ-পদাধিকাৰ সঞ্জয় দেউৰী আৰু প্ৰাক্তন সহঃ সম্পাদক নন্দেশ্বৰ বৰদলৈয়ে। ইফালে, পতাকা উত্তোলনৰ পাছতে এটি সম্বৰ্ধনা অনুষ্ঠানো অনুষ্ঠিত হয়। ইয়াৰ পাছতে দুপৰীয়া 'গুৰুজনাৰ নাম ধৰ্মত জনজাতিসকলৰ অৱস্থান' শীৰ্ষক এখন আলোচনা চক্ৰও অনুষ্ঠিত হয়। উপ-পদাধিকাৰ বীৰেণ কুমাৰ বৰদলৈৰ সঞ্চালনাত অনুষ্ঠিত আলোচনা চক্ৰখনত আলোচক হিচাপে সমাজৰ কেন্দ্ৰীয় প্ৰচাৰ সম্পাদক দিগন্ত বৰদলৈ, উপদেষ্টা ক্ৰমে প্ৰহ্লাদ পাঠক আৰু মিলেশ্বৰ পাতৰ উপস্থিত থাকে। আনহাতে, আবেলি পদাধিকাৰ প্ৰদীপ কুমাৰ বৰদলৈৰ সঞ্চালনাত মুকলি সভাখন অনুষ্ঠিত হয়। সভাত নিৰ্দিষ্ট বক্তা ৰূপে সমাজৰ কেন্দ্ৰীয় মুখ্য উপদেষ্টা প্ৰহ্লাদ মছৰং, যুৱ বক্তা ক্ৰমে ৰহা মহাবিদ্যালয়ৰ সহঃ অধ্যাপিকা উপাসনা বৰদলৈ আৰু উত্তৰ মাণ্ডলিকৰ সেৱা বাহিনীৰ অধিনায়িকা দময়ন্তী ফাংচু উপস্থিত থাকে। বিশিষ্ট অতিথিৰূপে তিৱা স্বায়ত্ত পৰিষদৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী সদস্য পৱন মান্তাৰ লগতে আমন্ত্ৰিত অতিথিৰূপে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অভ্যৰ্থনা সমিতিৰ সভাপতি তথা তিৱা স্বায়ত্ত পৰিষদৰ উপাধ্যক্ষ অংকুৰ দেউৰীয়ে আদৰণি অভিভাষণ পাঠ কৰা মুকলি সভাখনতে আনুষ্ঠানিকভাৱে স্মৃতিগ্ৰন্থ 'কাণ্ডাৰী' উন্মোচন কৰা হয়। আজি এই কাৰ্যসূচীসমূহৰ আঁত ধৰে ক্ৰমে সমাজৰ কেন্দ্ৰীয় প্ৰধান সম্পাদক সোণধৰ বৰদলৈ, সহঃ সম্পাদক বুদ্ধ বৰদলৈ, সেৱা বাহিনীৰ কেন্দ্ৰীয় প্ৰাক্তন মুখ্য অধিনায়ক জয়দেৱ ডেকাৰজা আৰু সেৱা বাহিনীৰ অন্যতম সদস্যা লক্ষ্যণা হুকাইয়ে। পাছত সন্ধিয়া বন্তি প্ৰজ্বলন, নাম প্ৰসংগ, প্ৰতিনিধি সভাৰ দ্বিতীয়খন বৈঠক আৰু বিষয় বাছনি সভা, সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। পাছত নিশা উত্তৰ মাণ্ডলিকৰ আই মাতৃসকলে অংকীয়া নাট 'যুধিষ্ঠিৰ স্বৰ্গযাত্ৰা' মঞ্চস্থ কৰে।

# ডুবাইত উলহ-মালহেৰে প্ৰৱাসী অসমীয়াই উদযাপন কৰিলে ভোগালী বিহু

**ই-সংবাদ, বেবেজীয়া, ২০ জানুৱাৰীঃ** বিহু অসমীয়াৰ বাপতিসাহোন। বিহু বুলিলেই প্ৰতিজন অসমীয়াৰেই গা সাতখন-আঠখন কৰে। ধনী-দুখীয়া সকলোয়েই উটি-ভাহি বিহুত হৈ পৰে মতলীয়া। উচ্চ-নীচ, ভেদাভেদ পাহৰি প্ৰতিজন অসমীয়াই পৰম হেঁপাহেৰে পালন কৰে বিহু উৎসৱ। পিছে বিদেশত থাকিলেও জানো এনে বিহুৰ মাদকতা পাহৰিব পাৰে অসমীয়াই। কৰ্ম বা আন যিকোনো কাৰণত বিদেশত থকা প্ৰৱাসী অসমীয়াসকলেও সেয়ে পালন কৰিলে ভোগালী বিহু। বিহু প্ৰতি প্ৰাণ থকাৰ বাবেই সকলো পাহৰি বিদেশত উলহ-মালহেৰে কঁকাল ভাঙিলে প্ৰৱাসী অসমীয়াই। ডুবাইৰ মুশ্ৰিফ পাৰ্কত যোৱা ১৯ জানুৱাৰীত প্ৰৱাসী অসমীয়াই আনন্দ-স্ফূৰ্তিৰে উদযাপন কৰিলে ভোগালী বিহু। উদ্ভাসিত হ'ল অসমীয়া কৃষ্টি-সংস্কৃতি। সাত সাগৰ তেৰ নদীৰ সিপাৰত থাকিও প্ৰৱাসী অসমীয়াসকলে নিজৰ মাতৃভূমিৰ লগত এনাজৰী ডাল মৰমৰে বান্ধি ৰাখিবলৈ পৰম্পৰাগত ৰীতি-নীতিৰে উদযাপন কৰিলে ভোগালী বিহু। সকলোৰে হাঁহি-ধেমালিৰ মাজেৰে ভোগালীৰ আনন্দ-উল্লাসত মতলীয়া হৈ পৰে। নাচি-বাগি উপভোগ কৰে ভোগালীৰ মাদকতা। য'ত পয়োভৰ ঘটিল অসমীয়া সমাজৰ পৰম্পৰাগত খেল-ধেমালি আৰু অসমীয়াৰ জলপানৰ তথা থলুৱা



পিঠা-পনাৰ। আনকি কণকণ শিশুৰ পৰা পৰা আশী উৰ্ধৰ প্ৰাপ্তবয়স্ক লোকে ৰছী টনা, কণী যুঁজ আদি বিভিন্ন খেল-ধেমালিৰ আনন্দ লৈ নিজকে ভোগালীৰ ৰং-ৰইচত বিলীন কৰি দিয়ে। উল্লেখ্য, অসমী আইৰ ভাষা-সংস্কৃতিক নৱপ্ৰজন্মৰ মাজত জীয়াই ৰখাৰ বাবেই এইদৰে ভোগালী বিহুৰ আয়োজন কৰে প্ৰৱাসী অসমীয়াসকলে।

# সমাজ সংগঠক, সাংস্কৃতিক কৰ্মী, বিজেপি নেতা দিগন্ত কুমাৰ নাথৰ বিয়োগ

**ই-সংবাদ, বেবেজীয়া, ২০ জানুৱাৰীঃ** নগাঁও জিলাৰ বেবেজীয়াৰ জামুগুৰি গাঁৱৰ বিশিষ্ট সমাজ সংগঠক, সাংস্কৃতিক কৰ্মী, বিজেপি নেতা তথা বেবেজীয়া-ডিমৌ-বাংঠাই গাঁও পঞ্চায়তৰ সদ্য প্ৰাক্তন সভাপতি দিগন্ত কুমাৰ নাথৰ সোমবাৰে পুৱা প্ৰায় ন বজাত দেহাৱসান ঘটে। বৃক্কৰ ৰোগত আক্ৰান্ত হৈ থকা নাথ বিগত প্ৰায় এসপ্তাহ ধৰি গুৱাহাটীৰ মেডিকেল কলেজ হাস্পতালৰ আই চি ইউত চিকিৎসাধীন হৈ আছিল যদিও চিকিৎসাধীন অৱস্থাতে তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত বয়স ৫২ বছৰ হোৱা নাথ ভাৰতীয় জনতা দলৰ এগৰাকী নিষ্ঠাবান কৰ্মী আছিল। ২০০৯ চনত তেওঁ নগাঁও জিলা বিজেপিৰ সভাপতিৰ দৰে গুৰুত্বপূৰ্ণ পদ অলংকৃত কৰিছিল। বেবেজীয়া-ডিমৌ-বাংঠাই গাঁও পঞ্চায়তৰ সভাপতি হিচাপে নিৰ্বাচিত হোৱা নাথৰ নেতৃত্বতে বেবেজীয়া-ডিমৌ-বাংঠাই গাঁও পঞ্চায়তে ভাৰত চৰকাৰৰ পঞ্চায়তৰাজ মন্ত্ৰালয়ৰ নানাজি দেশমুখ সৰ্বোত্তম বিকাশ পুৰস্কাৰ লাভ কৰি নগাঁও সদৰ সমষ্টিৰ অন্তৰ্গত এই গাঁও পঞ্চায়তে দেশৰ ভিতৰত দ্বিতীয় শ্ৰেষ্ঠ গাঁও পঞ্চায়ত ৰূপে পৰিগণিত হৈছিল। পঞ্চায়তৰ বিভিন্ন কাম-কাজৰ সঠিক ৰূপায়ণৰ বাবে বিগত ১১ ডিচেম্বৰত নতুন দিল্লীৰ বিজ্ঞান ভৱনত দেশৰ ৰাষ্ট্ৰপতিয়ে প্ৰদান কৰা বঁটা প্ৰদান অনুষ্ঠানত নাথে অংশ লৈছিল। এগৰাকী গতিশীল সাংস্কৃতিক কৰ্মী আৰু সংগঠক হিচাপে পৰিচিত নাথ আছিল এজন সুদক্ষ ঢুলীয়া। এসময়ত সুন্দৰ ঢোল বাদনেৰে ৰাইজৰ বেছ সমাদৰ বুটলিবলৈ সক্ষম হোৱাৰ বিপৰীতে ৰাজ্যৰ প্ৰখ্যাত বৰদৈচিলা বিহু উৎসৱত শ্ৰেষ্ঠ ঢুলীয়াৰ খিতাপ অৰ্জন কৰা নাথে বিভিন্ন সাংস্কৃতিক প্ৰতিযোগিতাত বিচাৰক হিচাপেও আসন শুৱনি কৰিছিল। বৃহত্তৰ জামুগুৰি অঞ্চলৰ বিহু, ৰাস, ভাওনা আদি সকলো উৎসৱ-পাৰ্বন উদযাপনৰ ক্ষেত্ৰত সততে আগভাগ লৈ অহা নাথে অঞ্চলৰ সকলো শৈক্ষিক, সামাজিক, সাংস্কৃতিক আৰু ধৰ্মীৰ অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত ওতঃপ্ৰোতভাৱে জড়িত থাকি সমাজৰ উন্নতিৰ হকে নিষ্ঠাসহকাৰে সেৱা আগবঢ়াই আহিছিল। সৰু-ডাঙৰ সকলোৰে লগত সু-সম্পৰ্ক বৰ্তাই ৰখা সৰল মনৰ নাথৰ মৃত্যুত বৃহত্তৰ বেবেজীয়া আৰু জামুগুৰি অঞ্চলত গভীৰ শোকৰ ছাঁ পৰিছে। দুপৰীয়া তেওঁৰ নশ্বৰদেহ গুৱাহাটীৰ পৰা বেবেজীয়ালৈ অনাৰ লগে লগে সমগ্ৰ অঞ্চলজুৰি শোকাকুল পৰিৱেশৰ সৃষ্টি হয়। পিছত তেওঁৰ নশ্বৰ দেহ সু-সজ্জিত বাহনত লৈ এটি শোভাযাত্ৰা উলিয়াই তেওঁৰ পূৰ্বৰ কৰ্মস্থলী বেবেজীয়া-ডিমৌ-বাংঠাই গাঁও পঞ্চায়তৰ কাৰ্যালয়লৈ নিয়া হয় আৰু তাত পঞ্চায়তটোৰ বিষয়া-কৰ্মীসকলে শেষ শ্ৰদ্ধা জনায়।

# তিনিদিনীয়া কাৰ্যসূচীৰে পবিতৰা বনৰীয়া চৰাই সংৰক্ষণ উৎসৱ ২০২৫

**ই-সংবাদ, লাহৰীঘাট, ২০ জানুৱাৰীঃ** মৰিগাঁও জিলাৰ মায়ঙৰ মাইবং ইক' ৰিজৰ্টত তিনিদিনীয়াকৈ অনুষ্ঠিত হোৱা পবিতৰা বনৰীয়া চৰাই সংৰক্ষণ উৎসৱ ২০২৫ ৰ আজি সফল সামৰণি পৰে। ১৭ জানুৱাৰীৰ পৰা অনুষ্ঠিত এই উৎসৱৰ প্ৰথম দিনাৰ আবেলি ৩ বজাত বন্তি প্ৰজ্বলন আৰু আদৰণি ভাষণ প্ৰদান কৰি উৎসৱৰ শুভাৰম্ভ কৰে উদযাপন সমিতিৰ সভাপতি ৰামচন্দ্ৰ নাথে। উদযাপন সমিতিৰ সদস্য ৰূপম কুমাৰ নাথে আঁত ধৰা মুকলি সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে উৎসৱ উদযাপন সমিতিৰ আহ্বায়ক তথা নেচাৰ্ছ বেকনৰ অধ্যক্ষ সৌম্যদ্বীপ দত্তই। সভাখনত বিশিষ্ট অতিথি হিচাপে কেইবাজনো বক্তাই ভাষণ প্ৰদান কৰে। সাহিত্য অকাডেমী বঁটাপ্ৰাপক সাহিত্যিক বিপুল দেউৰীয়ে কয় যে বনৰীয়া চৰাই বা বন্যপ্ৰাণী সংৰক্ষণৰ কামত প্ৰথম স্থানীয় লোকেই মুখ্য ভূমিকা গ্ৰহণ কৰিব লাগিব। তেতিয়াহে আমাৰ চৌপাশে বিচৰণ কৰি থকা বনৰীয়া চৰাই আৰু বন্যপ্ৰাণীবোৰ সুৰক্ষিত হৈ থাকিব। মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড০ ফণীভূষণ নাথে কয় যে প্ৰকৃতি, বন্যপ্ৰাণী আৰু বনৰীয়া চৰাই সংৰক্ষণৰ বাবে সজাগতা সভা অনুষ্ঠিত কৰাতকৈ সংৰক্ষণ আন্দোলনৰ প্ৰয়োজন আহি পৰিছে। তেতিয়াহে পৰিৱেশ আৰু প্ৰকৃতি সুৰক্ষিত হৈ থাকিব। কাৰণ বিগত সময়ছোৱাত ইমানেই সজাগতা সভা অনুষ্ঠিত কৰা হৈছে, তাৰ পিছতো বন্যপ্ৰাণী নিধনযজ্ঞ চলিয়েই আছে। গতিকে সমগ্ৰ দেশজুৰি সংৰক্ষণৰ বাবে ব্যাপক আন্দোলন গঢ়ি তোলাৰ দৰকাৰ হৈ পৰিছে। পবিতৰাৰ বনাঞ্চলিক বিষয়া প্ৰাঞ্জল বৰুৱাই ভাষণত কয় যে পবিতৰাৰ বন্যপ্ৰাণীৰ সংৰক্ষণৰ সমান্তৰালকৈ বনৰীয়া চৰাই-চিৰিকটিৰ সংৰক্ষণৰ বাবেও বন বিভাগৰ ফালৰ পৰা কাম কৰি থকা হৈছে। কোনোবাই যদি ক'ৰবাত চৰাই-চিৰিকটি নিধন কৰাৰ খবৰ পায় তৎকালে বন বিভাগৰ লোকক অৱগত কৰিববলৈও তেওঁ আহ্বান জনায়। আজিৰ অনুষ্ঠানত পবিতৰা অভয়াৰণ্যৰ প্ৰাক্তন বন বিষয়া মুকুল তামুলী, মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড০ ফণীভূষণ নাথ, গুজৰাট চৰকাৰৰ অৱসৰপ্ৰাপ্ত চিকিৎসা বিষয়া তথা মায়ঙৰ সন্তান ডাঃ কৃষ্ণ কান্ত কোঁৱৰ, ইণ্ডিয়া টুৰিজিমৰ জনসম্পৰ্কৰক্ষী বিষয়া মীৰা ৰাণী দাস, ইষ্টাৰ্ন ডৰ্ছ টুৰিজিম ডেভেলপমেণ্ট এছ'চিয়েছনৰ সম্পাদক বিশ্বজিৎ সাহা, ৰজামায়ং গাঁও উন্নয়ন সমিতিৰ প্ৰাক্তন সভাপতি ৰাজেন নাথ, মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ অধ্যাপক ড০ উৎপল নাথ, অৱসৰপ্ৰাপ্ত সেনা জোৱান দিলীপ নাথ, উদযাপন সমিতিৰ সম্পাদক নৃপেন নাথ, মায়ং অঞ্চলৰ বহু সংখ্যক বিশিষ্ট ব্যক্তি, মায়ং অঞ্চলৰ শিক্ষানুষ্ঠানসমূহৰ শিক্ষকসকলকে ধৰি ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে। ১৮ জানুৱাৰীত অঞ্চলটোৰ শিক্ষানুষ্ঠানসমূহৰ লগতে অসমৰ কেইবাখনো মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক লৈ চৰাই পৰ্যবেক্ষণৰ প্ৰাথমিক প্ৰশিক্ষণ দিয়া হয়। লগতে বনৰীয়া চৰাইৰ বাসস্থান সংৰক্ষণ শীৰ্ষক এখনি আলোচনা চক্ৰৰ আয়োজন হয়। আলোচনা চক্ৰত মুখ্য আলোচক হিচাপে থাকে প্ৰকৃতিবিদ তথা নেচাৰ্ছ বেকনৰ অধ্যক্ষ সৌম্যদ্বীপ দত্ত। আলোচক হিচাপে উপস্থিত থাকে 'দ্যা চীড' আলোচনীৰ সম্পাদিকা নৱনিতা শৰ্মা, প্ৰকৃতিবিদ নৃপেন নাথ, 'দ্যা চীড' আলোচনীৰ অন্য এগৰাকী সম্পাদিকা কংকনা দাস, প্ৰকৃতিবিদ যুগল সন্দিকৈ। আজি অন্তিম দিনা বি বৰুৱা মহবিদ্যালয়, মায়ং আঞ্চলিক মহাবিদ্যালয় আদিকে ধৰি সমগ্ৰ অসমৰ ১৪খন বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত বনৰীয়া চৰাই সংৰক্ষণ শীৰ্ষক এখনি ৰাষ্ট্ৰীয় কৰ্মশালা অনুষ্ঠিত হয়। কৰ্মশালাত প্ৰশিক্ষক হিচাপে উপস্থিত থাকে জ্যেষ্ঠ কৃষি বিজ্ঞানী প্ৰৱাল শইকীয়া, প্ৰকৃতিবিদ নৃপেন নাথ। উল্লেখ্য যে এই উৎসৱৰ লগত সংগতি ৰাখি প্ৰত্যেক দিনাই সন্ধিয়া সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰা হয়।

# ছিপাঝাৰৰ বেংনৈপাৰত 'ওৱানেচ'ৰ প্ৰতিষ্ঠা দিৱস সাংস্কৃতিক সন্ধিয়া সম্পন্ন

**ই-সংবাদ, দুমুনিচকী, ২০ জানুৱাৰীঃ** ছিপাঝাৰৰ বহত্তৰ মাঁৰৈ-বিজুলীবাৰী অঞ্চলৰ অন্যতম সামাজিক-সাংস্কৃতি অনুষ্ঠান ওৱানেচৰ তৃতীয় বাৰ্ষিক প্ৰতিষ্ঠা দিৱস ১৮ আৰু ১৯ জানুৱাৰীত দুদিনীয়া কাৰ্যসূচীৰে মাঁৰৈ বেংনৈপাৰত অনুষ্ঠিত হৈ যায়। প্ৰথম দিনা পুৱা ৯ বজাত ওৱানেচৰ সভাপতি জেমচ ৰহমানে পতাকা উত্তোলনেৰে দিৱসৰ শুভাৰম্ভ কৰে। পুৱা ৯.৩০ বজাত শ্বহীদ তৰ্পণ কৰে শিক্ষয়িত্ৰী বৰ্ণালী ডেকাই। ১০ বজাত বৃক্ষৰোপণ কৰে অৱসৰপ্ৰাপ্ত অধ্যাপক আলহাজ চাহজামাল হক, সমাজ সেৱক কমলেশ্বৰ ডেকা, প্ৰকৃতিপ্ৰেমী খলিলুৰ ৰহমানে। ১১ বজাত প্ৰাক্তন ফুটবল খেলুৱৈ ইদ্ৰিচ আলীয়ে খেল-ধেমালি প্ৰতিযোগিতা উদ্বোধন কৰে। দ্বিতীয় দিনা ভেশচন, চিত্ৰাংকন, সাহিত্য, কুইজ, আধুনিক নৃত্য প্ৰতিযোগিতাৰ অন্তত সন্ধিয়া ৬ বজাত অৱসৰপ্ৰাপ্ত কৰ্মচাৰী তথা সমাজ সংগঠক কুমুদ বড়াই বন্তি প্ৰজ্বলন কৰে। সন্ধিয়া ৬.৩০ মাঁৰৈ-বিজুলীবাৰী শাখা সাহিত্য সভাৰ নৱ নিৰ্বাচিত সভাপতি তথা শিক্ষক, বিশিষ্ট সাহিত্যিক এম হাফিজ আলীৰ সভাপতিত্বত সম্বৰ্ধনা আৰু বঁটা বিতৰণী সভা অনুষ্ঠিত হয়। সভাত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ কৃতী ছাত্ৰ-ছাত্ৰীৰ লগতে বিভিন্ন দিশত অৱদান আগবঢ়োৱা কেবাগৰাকীও বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনায়। লগতে বিভিন্ন প্ৰতিযোগিতাত পুৰস্কাৰ প্ৰাপ্ত প্ৰতিযোগীসকলৰ বঁটাসমূহ বিৰতণ কৰা হয়। সভাত সানোৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক তথা বিশিষ্ট সাহিত্যিক খাইৰুল হুছেইন, ছিপাঝাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক তথা বিশিষ্ট সাহিত্যিক পৱন কলিতা বিশিষ্ট অতথি হিচাপে উপস্থিত থাকি বক্তব্য আগবঢ়ায়। উদীয়মান যুবক প্ৰাঞ্জল বৰুৱা আৰু উদীয়মান তাৰ্কিক শ্বাহজ্যাদী চৰনম চুলতানই আঁত ধৰা অনুষ্ঠানত ৮.৩০ বজাত দুমুনিচকীৰ বিশিষ্ট ব্যৱসায়ী লুটফৰ ৰহমানে সাংস্কৃতিক সন্ধিয়াৰ মঞ্চ উদ্বোধন কৰে। সাংস্কৃতিক সন্ধিয়াৰ বিশেষ আৰ্কষণ আছিল কৌতুক অভিনেতা ভাঙা টিভি খ্যাত দ্বীপজ্যোতি ডেকা, মাৰ্ক এলভিন আৰু নিলুফাৰ নাচৰিনৰ গীতৰ শৰাই।

# ওদালগুৰি প্ৰেছ ক্লাবৰ ৩৮ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন

**ই-সংবাদ, ওদালগুৰি, ২০ জানুৱাৰীঃ** ওদালগুৰি প্ৰেছ ক্লাবৰ ৩৮ সংখ্যক প্ৰতিষ্ঠা দিৱস আজি ক্লাবৰ চৌহদত পালন কৰা হয়। কাৰ্যসূচী অনুসৰি পুৱা ৯.৩০ বজাত প্ৰেছ ক্লাবৰ পতাকা উত্তোলন কৰে সভাপতি ধীৰেণ বৈশ্যই। পতাকা উত্তোলন কৰি প্ৰদান কৰা ভাষণত বৈশ্যই ওদালগুৰি প্ৰেছ ক্লাব গঠনৰ ইতিহাসৰ কথা উল্লেখ কৰে। ১০ বজাত স্মৃতি তৰ্পণ কাৰ্যসূচী মুকলি কৰে সাধাৰণ সম্পাদক গুণজিৎ দাসে। তেওঁ ভাষণ প্ৰসংগত প্ৰেছ ক্লাবৰ প্ৰয়াত সদস্যসকলক সুঁৱৰি তেওঁলোকৰ ত্যাগৰ কথা বৰ্ণনা কৰে। আজিৰ এই কাৰ্যসূচীত ওদালগুৰি প্ৰেছ ক্লাবৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

# বাঁহফলাৰ ধনখুলৈত ২৭ জানুৱাৰীত যোৰহাট জিলা সাহিত্য সভাৰ অধিৱেশন

**ই-সংবাদ, পশ্চিম যোৰহাট, ২০ জানুৱাৰীঃ** যোৰহাট জিলা সাহিত্য সভাৰ বিংশতম পূৰ্ণাংগ অধিৱেশন উত্তৰ-পশ্চিম যোৰহাটৰ বাঁহফলাৰ ধনখুলৈত ২৭ জানুৱাৰীত অনুষ্ঠিত হ'ব। বাঁহফলা ধনখুলৈ শাখা সাহিত্য সভাৰ আমন্ত্ৰণ ক্ৰমে সমাজসেৱক ধনবাহাদুৰ চেট্টি ক্ষেত্ৰৰ বিষ্ণু মন্দিৰ প্ৰাংগনত সেইদিনা পুৱা জিলা সাহিত্য সভাৰ সভাপতি ভৱ গোস্বামীৰ লগতে শাখা সাহিত্য সভাসমূহৰ সভাপতিসকলে একোখনকৈ পতাকা উত্তোলন কৰিব। স্মৃতি তৰ্পণ কৰিব আদৰণী সমিতিৰ সভাপতি কৃষ্ণবাহাদুৰ চেট্টিয়ে আৰু গছপুলি ৰোপণ কৰিব অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক হীৰা মহন্তই। মিচিং সাহিত্য সভাৰ সভাপতি বিৰিঞ্চি দলে উদ্বোধন কৰিবলগীয়া প্ৰতিনিধি সভাত জিলাখনৰ শাখা সাহিত্য সভাসমূহৰ সভাপতি-সম্পাদক অথবা মনোনীত প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব। জিলা সাহিত্য সভাৰ আগন্তুক দুবছৰীয়া কাৰ্যকালৰ সভাপতিক লৈ সাংস্কৃতিক শোভাযাত্ৰা কৰাৰ পাছতে মহেন্দ্ৰ নাথ হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত হ'বলগীয়া মুকলি সভা উদ্বোধন কৰিব সৰ্বোদয় মহাবিদ্যালয়ৰ অধ্যক্ষ ডক্টৰ মনোজ বৰুৱাই। মুখ্য অতিথি হিচাপে পদ্মশ্ৰী প্ৰহ্লাদ চন্দ্ৰ তাছা সন্মানিত অতিথিৰূপে জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ডক্টৰ চেনীৰাম দত্ত, তিলো সোণোৱাল, নীৰদা গগৈ বৰা, ইন্দ্ৰজিৎ কুমাৰ বৰুৱা, ডক্টৰ ৰাতুল চন্দ্ৰ বৰা, বিশিষ্ট অতিথি হিচাপে ভালেকেইগৰাকীয়ে অংশগ্ৰহণ কৰিব। জিলা সভাৰ মুখপত্ৰ 'সাহিত্য-চিন্তা' উন্মোচনৰ লগতে জিলা সাহিত্য সভাই প্ৰদান কৰি অহা যোৰহাটৰত্ন-২০১৪ অৰণ্য মানৱ যাদৱ পায়েঙক প্ৰদানৰ লগতে ডাক্তৰ দেৱীচৰণ ঠাকুৰক সম্বৰ্ধনা জনাব। জিলা সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি আৰু সম্পাদকসকলক বিশিষ্ট অতিথি হিচাপে সভাত অংশগ্ৰহণৰ বাবে সম্পাদিকা মিতালী শইকীয়াই আমন্ত্ৰণ জনাইছে। আদৰণী সমিতিৰ সাধাৰণ সম্পাদক জয়ন্ত চেট্টিয়ে অঞ্চলৰৰ্তী ৰাইজৰ উপস্থিতি আৰু সহায়-সহযোগিতা কামনা কৰিছে।

# গৃহৰক্ষীৰ পত্নীৰ ফটো ভাইৰেল কৰি আটক যুৱক

**ই-সংবাদ, গোলকগঞ্জ, ২০ জানুৱাৰীঃ** ধুবুৰী জিলাৰ আগমনি থানাৰ অন্তৰ্গত ৰামৰাইকুঠী দ্বিতীয় খণ্ড গাঁৱৰ বিমল দাসৰ পুত্ৰ বিশ্বজিত দাসে (২৫) একে গাঁৱৰে এজন গৃহৰক্ষী বাহিনীৰ জোৱানৰ পত্নীৰ অশ্লীল ফটো সামাজিক মাধ্যমত ভাইৰেল কৰি আৰক্ষীৰ জালত পৰা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, বিশ্বই একে গাঁৱৰে মহিলাগৰাকীৰ অশ্লীল ফটো ইয়াৰ পূৰ্বে কেবাবাৰো ফেচবুক, হোৱাটছ এপ যোগে ভাইৰেল কৰিছিল। এই সন্দৰ্ভত গাঁৱত ৰাইজ মেল বহে। মেলত বিশ্বজিতে ভুল স্বীকাৰ কৰি ক্ষমা খুজি ফটোবোৰ ডিলিট কৰাৰ লগতে এনে কাৰ্য নকৰাৰ প্ৰতিশ্ৰুতি দিয়ে। কিন্তু দুদিন পূৰ্বে পুনৰ একে কাৰ্য কৰি মহিলাগৰাকীক মানসিক হাৰাশাস্তি কৰাৰ চেষ্টা চলায়। উপায়ন্তৰ হৈ গৃহৰক্ষীৰ জোৱানজনে কালি আগমনি থানাত এখন এজাহাৰ দাখিল কৰাত আজি আগমনি আৰক্ষীয়ে যুৱকজনক গ্ৰেপ্তাৰ কৰে।

# ঝসকালত বোৱাৰী নিৰুদ্দেশ, থানাত এজাহাৰ

**ই-সংবাদ, গোলকগঞ্জ, ২০ জানুৱাৰীঃ** ধুবুৰী জিলাৰ আগমনি থানাৰ অন্তৰ্গত ভাৰত-বাংলাদেশ সীমান্তৰ ঝসকাল তৃতীয় খণ্ড গাঁৱত কালি বিয়লি এগৰাকী বোৱাৰী নিৰুদ্দেশ হোৱা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, গাঁওখনৰ আনিচুৰ ৰহমানৰ পত্নী মমতা বিবি (৩৩) কালি বিয়লি তিনি বজাত ঔষধ কিনাৰ কথা কৈ কাষতে থকা ঝসকাল বজাৰলৈ যায়। সন্ধিয়া লৈ ঘূৰি নহাত চিন্তিত হৈ পৰে পৰিয়ালৰ লোক। চাৰিওফাল বিচাৰ-খোচাৰ কৰিও মহিলাগৰাকীৰ কোনো সন্ধান নাপায়। উপায়ন্তৰ হৈ আজি আগমনি থানাত বোৱাৰীগৰাকী নিৰুদ্দেশ হোৱা বুলি স্বামী আনিচুৰে এখন এজাহাৰ দাখিল কৰে। উল্লেখ্য যে মহিলাগৰাকীৰ তেৰ বছৰীয়া পুত্ৰ সন্তানৰ লগতে এটি ন বছৰীয়া কন্যা সন্তান আছে। তেনেক্ষেত্ৰত মহিলাগৰাকীৰ নিৰুদ্দেশে স্থানীয় ৰাইজৰ মাজত কৌতুহলৰ সৃষ্টি কৰিছে। স্বামী ঘৰত নথকা সময়ত স'ততে অইন লোকৰ লগত ম'বাইলত ব্যস্ত থকাৰ ওপৰত লক্ষ্য ৰাখি মহিলাগৰাকীয়ে স্ব-ইচ্ছাই পলায়ন কৰা বুলি বহুতে সন্দেহ ব্যক্ত কৰিছে।

# কৰ্ম সংস্থাপন বিচাৰি বহিঃ ৰাজ্যলৈ গৈ নিৰুদ্দেশ জামুগুৰিহাটৰ যুৱক

**ই-সংবাদ, চতিয়া, ২০ জানুৱাৰীঃ** বহিঃ ৰাজ্যত কৰ্ম সংস্থাপন বিচাৰি ঢাপলি মেলা বহু যুৱক নিৰুদ্দেশ হোৱা ঘটনা নিতৌ সংঘটিত হৈ আছে। পুনৰ তেনে এক ঘটনা পোহৰলৈ আহিছে। জানিব পৰা মতে, জামুগুৰি আৰক্ষী থানাৰ অন্তৰ্গত বাঁহবাৰী সত্ৰ গাঁৱৰ প্ৰয়াত ডিম্বেশ্বৰ কলিতাৰ একমাত্ৰ পুত্ৰ জোনটি কলিতা ওৰফে জোন দুজন বন্ধুৰ সৈতে যোৱা ৭ জানুৱাৰীত কেৰেলালৈ বুলি যাত্ৰা কৰে। কিন্তু জামুগুৰিহাটৰ যুৱকজন যাত্ৰা পথৰ পৰাই নিৰুদ্দেশ হৈ পৰে। এই ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। ঘটনা সম্পৰ্কে নিৰুদ্দেশ হোৱা যুৱক জোনটি কলিতাৰ বাইদেউ শিতলা কলিতাই জানিবলৈ দিয়া মতে, স্থানীয় মহমৰা পাৰৰ চিকুন গড় নামৰ লোকজনে কেৰেলাত কোম্পানীত চাকৰি দিয়াৰ প্ৰলোভনেৰে বাঁহবাৰীসত্ৰ গাঁৱৰ যুৱক জোনটি কলিতা আৰু মহমৰা পাৰৰ মুক্তি চেত্ৰী নামৰ লোকজনক লৈ ট্ৰেইনেৰে যাত্ৰা কৰিছিল সুদুৰ কেৰেলালৈ। কিন্তু কেৰেলা পোৱাৰ পূৰ্বেই কোনোবা ষ্টেচনত নামি পৰে তিনিও জন। তেতিয়াৰ পৰাই বাতৰি যুগুতোৱা পৰ্যন্ত যুৱকজনৰ কোনো শুংসূত্ৰ নাই।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# সাংবাদিক তুলসী চুতীয়ালৈ 'আব্দুল ৰফিক সোঁৱৰণী বঁটা'



**ই-সংবাদ, সৰুপথাৰ, ২০ জানুৱাৰীঃ** অসমৰ মফচলীয় সাংবাদিকসকলৰ সংগঠন 'আপকু'ৰ ধনশিৰি মহকুমা সমিতিৰ বৰ্তমানৰ সভাপতি তথা 'অসমীয়া খবৰ' কাকতৰ সৰুপথাৰৰ জ্যেষ্ঠ সাংবাদিক তুলসী চুতীয়া মঃ আব্দুল ৰফিক সোঁৱৰণী বঁটাৰ বাবে নিৰ্বাচিত হৈছে। সৰুপথাৰৰ জ্যেষ্ঠ সাংবাদিকগৰাকীক এখন বিশেষ জুৰি ব'ৰ্ডে উক্ত বঁটাৰ বাবে নিৰ্বাচন কৰা বুলি জানিব পৰা গৈছে। অহা ৩০ জানুৱাৰীত 'আপকু'ৰ শিৱসাগৰ জিলা সমিতিয়ে কোঁৱৰপুৰ প্ৰেছ ক্লাবৰ সহযোগত শিৱসাগৰ জিলাৰ অন্তৰ্গত শান্তিপুৰ উচ্চ মাধ্যমিক বিদ্যালয়ত আয়োজন কৰা এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত বহু বিশিষ্ট ব্যক্তিৰ উপস্থিতিত সৰুপথাৰৰ জ্যেষ্ঠ সাংবাদিক তুলসী চুতীয়াক এই বঁটা আনুষ্ঠানিকভাৱে প্ৰদান কৰিব। ইফালে, সৰুপথাৰৰ জ্যেষ্ঠ সাংবাদিকগৰাকীক 'আব্দুল ৰফিক সোঁৱৰণী বঁটা'ৰ বাবে নিৰ্বাচিত কৰা কাৰ্যত 'আপকু'ৰ ধনশিৰি মহকুমা সমিতি, সৰুপথাৰ শাখা সাহিত্য সভা, ধনশিৰি জিলা কৰ্মচাৰী পৰিষদৰ লগতে সৰুপথাৰ সমজিলাৰ বিভিন্ন দল সংগঠনে 'আপকু'ৰ শিৱসাগৰ জিলা সমিতিক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে বঁটা প্ৰাপক তুলসী চুতীয়ালৈও অভিনন্দন জ্ঞাপন কৰিছে। উল্লেখ্য যে, 'আপকু'ৰ শিৱসাগৰ জিলা সমিতিয়ে বিগত কেবাবছৰ ধৰি অসমৰ সংবাদ জগতৰ লগতে বিভিন্ন ক্ষেত্ৰৰ বিশিষ্ট ব্যক্তিসকলক এখন বিশেষ জুৰি ব'ৰ্ডে নিৰ্বাচন কৰি বিভিন্ন বঁটা প্ৰদান কৰি আহিছে। উল্লেখ্য যে, সাংবাদিক তুলসী চুতীয়াই ইয়াৰ পূৰ্বেও বিভিন্ন ক্ষেত্ৰৰ তিনিটাকৈ বঁটা লাভ কৰিছিল।

# শুৱালকুছিৰ ব্ৰহ্মপুত্ৰৰ চিমনা চাপৰিত অৰ্ধগলিত মৃতদেহ উদ্ধাৰ

**ই-সংবাদ, শুৱালকুছি, ২০ জানুৱাৰীঃ** কামৰূপ জিলাৰ শুৱালকুছি নদী আৰক্ষী থানাৰ অন্তৰ্গত ব্ৰহ্মপুত্ৰ চিমনা চাপৰিত শনিবাৰে সন্ধিয়া অৰ্ধগলিত অৱস্থাত এটি মৃতদেহ উদ্ধাৰ হয়। আৰক্ষীৰ পৰা জানিব পৰা মতে, শুৱালকুছি নদী আৰক্ষী থানাৰ অন্তৰ্গত ব্ৰহ্মপুত্ৰৰ চিমনা চাপৰিত শনিবাৰে এটা অৰ্ধগলিত পুৰুষ ব্যক্তিৰ মৃতদেহ স্থানীয় কৃষক ৰাইজে প্ৰত্যক্ষ কৰি শুৱালকুছি নদী আৰক্ষীক খবৰ দিয়ে। শুৱালকুছি নদী আৰক্ষীয়ে খবৰ পোৱা মাত্ৰে ব্ৰহ্মপুত্ৰৰ চিমনা চাপৰিত উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰি যাৱতীয়া ব্যৱস্থা গ্ৰহণ কৰে। আৰক্ষীয়ে উদ্ধাৰ কৰা অৰ্ধগলিত মৃতদেহটো অদ্যপি চিনাক্ত হোৱা নাই। লং পেন্ট, হাত দীঘল চোলা পৰিহিত অচিনাক্ত পুৰুষৰ মৃতদেহটো গুৱাহাটী চিকিৎসা মহাবিদ্যালয় চিকিৎসালয়ৰ মৰ্গত ৰখা হৈছে বুলি শুৱালকুছি নদী আৰক্ষীয়ে জানিবলৈ দিছে।

# সৃষ্টিধৰা ফাউণ্ডেচনৰ কৰ্মশালাৰ আয়োজন

**ই-সংবাদ, মিৰ্জা, ২০ জানুৱাৰীঃ** পলাশবাৰী সমষ্টিৰ ৰামপুৰ আঞ্চলিক মহাবিদ্যালয়ত আজি দিনৰ ১২ বজাত বেচৰকাৰী সংস্থা সৃষ্টিধৰা ফাউণ্ডেচনে এখনি সংবাদমেল সম্বোধন কৰে। যুৱক-যুৱতীৰ আত্মনিৰ্ভৰশীলতাৰ ওপৰত কৰ্মশালাৰ আয়োজন কৰাৰ বাবে প্ৰচাৰ আৰু উপস্থিতিৰ ক্ষেত্ৰত সহযোগিতা বিচাৰি এই সংবাদমেল সম্বোধন কৰা হয়। স্বেচ্ছাসেৱী সংস্থা সৃষ্টিধৰা ফাউণ্ডেচনৰ উদ্যোগত অহা ৮ ফেব্ৰুৱাৰীত মিৰ্জাৰ শ্বহীদ ভৱনত নিবনুৱা যুৱক- যুৱতী তথা চূড়ান্ত বৰ্ষৰ ছাত্ৰ-ছাত্ৰীৰ কেৰিয়াৰ আৰু আত্মনিৰ্ভৰশীলতাৰ ওপৰত এখনি বিনামূলীয়া কৰ্মশালাৰ আয়োজন কৰা হ'ব। উক্তদিনা জনপ্ৰিয় মোটিভেচন স্পীকাৰ জয়ন্ত কুমাৰ কলিতা উপস্থিত থাকিব বুলি উদ্যোক্তাসকলে সংবাদমেল সম্বোধন কৰি জনায়। উক্ত সংবাদমেলত উপস্থিত থাকে সৃষ্টিধৰা ফাউণ্ডেচনৰ সম্পাদক ৰুবুল চৌধুৰী, ৰামপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ দিনমণি কলিতা আৰু ৰামপুৰৰ সংবাদসেৱী বিমল শৰ্মা।

# ইছলামৰ বহিৰাগত প্ৰচাৰক, মৌলানাৰ ওপৰত দৃষ্টি ৰখাৰ আহ্বান হিন্দু সুৰক্ষা সেনাৰ

**ই-সংবাদ, বৰপেটাৰোড, ২০জানুৱাৰীঃ** নামনি অসমত ধাৰাবাহিকভাৱে শেহতীয়াকৈ বহুকেইজন ইছলামিক জেহাদী গ্ৰেপ্তাৰ হোৱাৰ ঘটনাই ৰাজ্যবাসীক উদ্বিগ্ন কৰিছে। আজি এক প্ৰেছ বিবৃতিৰ জৰিয়তে হিন্দু সুৰক্ষা সেনা, অসমৰ কেন্দ্ৰীয় সভাপতি কাঞ্চন নাথে কয় যে অসমৰ মুছলমান অধ্যুষিত অঞ্চলত, বিশেষকৈ বাংলাদেশী মুছলমান অধ্যুষিত অঞ্চলবোৰত ইছলামিক উগ্ৰবাদীৰ গতি-বিধিৰ ঘটনা নতুন নহয়। এই অঞ্চলবোৰলৈ ইছলামৰ প্ৰচাৰৰ বাবে আহি থকা বহিঃৰাজ্যৰ মৌলনা আৰু আলিমসকলেই ইছলামৰ উগ্ৰবাদী ধাৰাটোৰ প্ৰচাৰ কৰাত অধিক অৰিহণা যোগাইছে। আমি সকলোৰে জানো যে ইছলামৰ মূল তত্ত্বতেই মৌলবাদ তথা অসহিষ্ণু উগ্ৰবাদীৰ সকলো উপাদান সোমাই আছে। সেয়েহে পৰিস্থিতিয়ে প্ৰৰোচিত নকৰিলেও এই আৰবীয় মতাদৰ্শক নিৰ্বিবাদে বিশ্বাস কৰা লোকসকলে উগ্ৰবাদ প্ৰকাশৰ বাবে অনুকূল পৰিৱেশ নিজেই নিৰ্মাণ কৰি লয়। হিন্দু সুৰক্ষা সেনা, অসমে বিশ্বাস কৰে যে ইছলামিক মৌলবাদী কাৰ্যকলাপ আমাৰ ৰাজ্য তথা দেশৰ বাবে অন্যতম ভয়াৱহ সংকট। যি সমগ্ৰ দেশক গৃহযুদ্ধৰ কবললৈ ঠেলি দিব পাৰে। সেয়ে এই সংকট মোচনৰ বাবে চৰকাৰ প্ৰশাসন তথা জনসাধাৰণো সজাগ আৰু সচেতন হৈ থাকিব লাগিব। যিকোনো মৌলবাদী আৰু বিচ্ছিন্নতাবাদৰ কাৰ্যকলাপ ৰোধৰ বাবে প্ৰথম আৱশ্যক সেই মৌলবাদ আৰু বিচ্ছিন্নতাবাদৰ আঁৰত মতাদৰ্শ আৰু দৰ্শনৰ সম্যক জ্ঞান। সেয়ে এতিয়া এই বিচ্ছিন্নতাবাদী দৰ্শন সম্বন্ধে জনসাধাৰণক শুদ্ধ আৰু পক্ষপাতিত্বহীন জ্ঞান দিবলৈ চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। লগতে সেনাৰ কেন্দ্ৰীয় কাৰ্যকৰী সভাপতি সঞ্জয় পাটোৱাৰী আৰু সাধাৰণ সম্পাদক আকাশ শইকীয়াই কয় যে মাদ্ৰাছা আৰু মছজিদলৈ কেনে ধৰণৰ লোক আহে, তাত কেনে ধৰণৰ জনসমাগম হয়, কেনে কথা আলোচনা হয়, সেইবোৰ বিষয়ৰ ওপৰত চৰকাৰ প্ৰশাসনে সাৱধানে চকু ৰাখিব লাগে। চৰকাৰৰ ওচৰত আমাৰ দাবী হৈছে- ইছলামৰ প্ৰচাৰৰ বাবে আহি থকা মৌলনা আৰু আলিমসকলৰ ওপৰত চৰকাৰে কঠোৰ দৃষ্টি ৰখাৰ লগতে যিবোৰ জিলাত এনে গতিবিধিৰ শুংসূত্ৰ পোৱা গৈছে, সেইবোৰ জিলাত সামৰিক বাহিনীৰ দাৰাই অভিযান চলাব লাগে। ইছলামিক জেহাদী-মৌলবাদী কাৰ্যকলাপৰ বিৰুদ্ধে চৰকাৰ তথা প্ৰশাসন আৰু কঠোৰ হ'ব লাগিব। কেম্পাছ ফ্ৰন্ট অব ইণ্ডিয়াৰ দৰে উগ্ৰ সংগঠকসমূহৰ বিৰুদ্ধে তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ প্ৰতিবন্ধিত কৰিব লাগে।

# ধূপধৰাত এক্সিছ বেংকৰ নতুন শাখা মুকলি

**ই-সংবাদ, ধূপধৰা, ২০ জানুৱাৰীঃ** গোৱালপাৰা জিলাৰ ধূপধৰাত আজি এক্সিছ বেংকৰ এটা নতুন শাখা মুকলি কৰা হয় ।ধূপধৰা থানাৰ সমীপত তথা ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত নৱনিৰ্মিত এটা ভৱনত বেংকটোৰ ধূপধৰা শাখাটো আজি আনুষ্ঠানিকভাৱে ফিটা কাটি মুকলি কৰে ধূপধৰাৰ বিকালী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মনোজ গগৈয়ে আৰু তেওঁক সহযোগ কৰে বিকালী মৌজা উন্নয়ন সমিতিৰ সভাপতি লৱ কুমাৰ কছাৰীয়ে। আনহাতে বন্তি প্ৰজ্বলন কৰে ৰংজুলি উন্নয়ন খণ্ড কাৰ্যালয়ৰ সহকাৰী খণ্ড উন্নয়ন বিষয়া ঘনশ্যাম বড়োৱে। বেংকটোৰ ধূপধৰা শাখাৰ প্ৰবন্ধক হৰেন্দ্ৰ ব্ৰহ্মই আঁত ধৰা মুকলি অনুষ্ঠানত গোৱালপাৰা জিলা ৰাভা ছাত্ৰ সন্থাৰ সম্পাদক তিলক ৰাভা, ধূপধৰা মুছলিম ৰাইজৰ সভাপতি তথা তিনিদলীয়া ৰাইজৰ সম্পাদক ছাজ্জাদ গণি, ধূপধৰা ব্যৱসায়ী সন্থাৰ সভাপতি দীপক হাজোৰাৰী, ধূপধৰা আঞ্চলিক ছাত্ৰ সন্থা আৰু আঞ্চলিক ৰাভা ছাত্ৰ সন্থাৰ বিষয়ববীয়া, ধূপধৰা ক্ৰীড়া সন্থাৰ সভাপতি ইনামুল আহমেদ প্ৰমুখ্যে কেবাগৰাকী বিশিষ্ট ব্যক্তি, ব্যৱসায়ীৰ লগতে এক্সিছ বেংকৰ কেবাগৰাকী বিষয়া উপস্থিত থাকে। এই শাখা



মুকলি কৰি বিকালী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মনোজ গগৈয়ে গ্ৰামাঞ্চলৰ গ্ৰাহকসকলৰ বিভিন্ন প্ৰশ্ন বা সমস্যা সন্দৰ্ভত শাখাটোৰ কৰ্মচাৰীয়ে কেনেধৰণৰ উত্তৰ দিয়ে লগতে বেংকৰ কৰ্মচাৰী আৰু গ্ৰাহকৰ মাজৰ সম্পৰ্ক কেনেধৰণৰ হয়, তাৰ ওপৰত শাখাটোৰ ভৱিষ্যতৰ উন্নয়ন নিৰ্ভৰ কৰিব বুলি মন্তব্য কৰে ।ইফালে এক্সিছ বেংকৰ বিষয়াই ধূপধৰাৰ এই শাখাটোৰ জৰিয়তে গ্ৰাহকসকলক উন্নতমানৰ সেৱা আগবঢ়াব বুলি প্ৰতিশ্ৰুতি প্ৰদান কৰে। ইয়াৰোপৰি শাখাৰ লগত থকা এ টি এম টোৰ জৰিয়তে চব্বিশ ঘন্টাই গ্ৰাহকে নগদ জমা আৰু নগদ প্ৰত্যাহাৰ কৰিব পাৰিব বুলি বিষয়াসকলে জানিবলৈ দিয়ে।

# বেজেৰা উঃ মাঃ বিদ্যালয়ৰ মহাৰজত জয়ন্তীৰ সামৰণি

**ই-সংবাদ, বাইহাটা চাৰিআলি, ২০ জানুৱাৰীঃ** কামৰূপ জিলাৰ অন্যতম শিক্ষানুষ্ঠান বেজেৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তী যোৱা ১৯ জানুৱাৰীত সফলভাৱে সামৰণি পৰে। ১৯ জানুৱাৰীৰ তৃতীয় দিনৰ কাৰ্যসূচীত মুকলি সভা আৰু স্মৃতিগ্ৰন্থ উন্মোচন অনুষ্ঠান অনুষ্ঠিত হৈ যায়। স্মৃতিগ্ৰন্থ 'ধোপৰ তলৰ সুৰভি' উন্মোচন কৰে প্ৰাক্তন ছাত্ৰ তথা 'দৈনিক অসম'ৰ কাকতৰ সম্পাদক ০° হিতেশ ডেকাই। মহাৰজত জয়ন্তীৰ সামৰণি অনুষ্ঠানৰ মুখ্য সভাপতি বিশ্বেশ্বৰ ডেকাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু। মন্ত্ৰীগৰাকীয়ে মহাৰজত জয়ন্তীৰ শুভক্ষণত বেজেৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক-শিক্ষয়ত্ৰী আৰু ছাত্ৰ-ছাত্ৰীক অভিনন্দন জ্ঞাপন কৰে। মুকলি সভাত কামৰূপ জিলাৰ আয়ুক্ত দেৱ কুমাৰ মিশ্ৰ, প্ৰাক্তন ছাত্ৰ তথা মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰী প্ৰমুখ্যে কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। সভাৰ অন্তত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱেই নৱনিৰ্মিত বিদ্যালয় ভৱন পৰিদৰ্শন কৰে। নিশা সাংস্কৃতিক অনুষ্ঠানত জনপ্ৰিয় ধাৰাবাহিক বেহাৰবাৰী আউটপোষ্ট খ্যাত কে কে আৰু মোহনৰ অনুষ্ঠানৰ লগতে জনপ্ৰিয় শিল্পী আচুৰ্য বৰপাত্ৰৰ গীতৰ সমাহাৰেৰে সামৰণি পৰে মহাৰজত জয়ন্তীৰ কাৰ্যসূচী। আনহাতে, মহাৰজত জয়ন্তীৰ ১৭ জানুৱাৰীৰ প্ৰথম দিনাৰ কাৰ্যসূচীত পতাকা উত্তোলন কৰে বেজেৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ দেৱেন্দ্ৰ নাথ ডেকাই। মহাৰজত জয়ন্তীৰ পতাকা উত্তোলন কৰে মহাৰজত জয়ন্তী উদযাপন সমিতিৰ মুখ্য সভাপতি বিশ্বেশ্বৰ ডেকাই। বিদ্যালয়ৰ ৭৫ বৰ্ষীয় পতাকা উত্তোলনৰ পিছত স্মৃতি তৰ্পণ কৰা হয়। জ্যোতিপ্ৰসাদৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে বিশিষ্ট সমাজসেৱিকা উৰ্বশী চৌধুৰীয়ে। একেদৰে বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰে ক্ৰমে সংমগুল বন বিষয়া ইউনিছ চেলিম, ব্ৰহ্মপুত্ৰ বিজ্ঞান বিদ্যালয়ৰ অধ্যক্ষ কিৰণ চন্দ্ৰ কাকতি, অৱসৰপ্ৰাপ্ত শিক্ষক ইছলামুদ্দিন আহমেদে। মহাৰজত জয়ন্তী উদযাপন সমিতিৰ সভাপতি কৰুণা কান্ত ডেকাৰ সঞ্চালনাত অনুষ্ঠিত সতীৰ্থ পঞ্জীয়ন আৰু সতীৰ্থ সন্মিলন উদ্বোধন কৰে প্ৰাক্তন ছাত্ৰ তথা মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰীয়ে। সতীৰ্থ সন্মিলন অনুষ্ঠানত প্ৰাক্তন শিক্ষাৰ্থীসকলে ছাত্ৰ জীৱনৰ স্মৃতি সোঁৱৰণ কৰে। ১৮ জানুৱাৰীত দ্বিতীয় দিনৰ কাৰ্যসূচীত বৰ্ণিল সাংস্কৃতিক শোভাযাত্ৰাৰ শুভ উদ্বোধন কৰে প্ৰাইডেষ্ট এণ্টাৰটেইটমেণ্ট প্ৰাইভেট লিমিটেডৰ সঞ্চালিকা ৰিণিকি ভূঞা শৰ্মাই। সাংস্কৃতিক শোভাযাত্ৰাৰ পিছতে বঁটা বিতৰণী আৰু সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত কৰা হয়।

# উত্তৰ গুৱাহাটীত দুখনকৈ ব্যতিক্ৰমী কবিতা সন্মিলন

**ই-সংবাদ, উত্তৰ গুৱাহাটী, ২০ জানুৱাৰীঃ** কবিতা জীৱনবোধৰ প্ৰজ্ঞা। উক্ত কথাষাৰৰ যথাৰ্থতা প্ৰমাণ কৰি উত্তৰ গুৱাহাটী তথা ইয়াৰ নিকটৱৰ্তী অঞ্চলত কালি অনুষ্ঠিত হয় দুখনকৈ ব্যতিক্ৰমী কবিতা সন্মিলন। কবিতা হ'ল মানৱ জীৱনৰ প্ৰাৰ্থনা। মানুহে ঈশ্বৰক প্ৰাৰ্থনা কৰি যেনেকৈ আৱেগিক হৈ অকপটে নিজৰ স্থিতিৰ কথা ব্যক্ত কৰে, ঠিক তেনেকৈ মানুহে কবিতাৰ জৰিয়তেও আৱেগপূৰ্ণভাৱে অকপটে নিজৰ স্থিতিৰ কথা প্ৰকাশ কৰিব বিচাৰে।- এই মন্তব্য ড০ মঞ্জু দেৱী পেগুৰ। উত্তৰ গুৱাহাটীৰ একেবাৰে গাতে লাগি থকা ১নং জলাহস্থিত পুষ্পভদ্ৰা নিবাসী কবি নিৰ্মল দাসৰ একক প্ৰচেষ্টাৰে তেওঁৰ বাসভৱনত অনুষ্ঠিত তিনিমহীয়া কাব্যালোচনী 'আজিৰ নতুন কবিতা'ৰ ২২ সংখ্যক বৰ্ষপূৰ্তি উপলক্ষে আয়োজিত অনুষ্ঠানত কাব্যালোচনীখনৰ শেহতীয়া সংখ্যাটো উন্মোচন কৰি শতাধিক কাব্য প্ৰেমীৰ উপস্থিতিত কটন বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপিকা ড০ মঞ্জু দেৱী পেগুৱে এনেদৰে নিজৰ বক্তব্যত উল্লেখ কৰে। কবি শংকৰ শইকীয়া আৰু ড০ মঞ্জু দেৱী পেগুৰ যুটীয়া সঞ্চালনাত সম্পন্ন হোৱা কবিতা পাঠত অংশগ্ৰহণ কৰে চাংসাৰি, বোৰ্কা, জলাহ, উত্তৰ গুৱাহাটী, লেঙা আদি অঞ্চলৰ পৰা অহা ত্ৰিশগৰাকী নবীন-প্ৰবীণ কবিয়ে। উত্তৰ আধুনিক যান্ত্ৰিকতাৰ মাজত কবি নিৰ্মল দাসে গাঁঠিৰ ধন খৰচ কৰি কবি আৰু কবিতাৰ হকে কৰা এনে আহোপুৰুষাৰ্থ কৰ্মক সচেতন ৰাইজে ভূয়সী প্ৰশংসা কৰিছে। আনহাতে, 'উত্তৰ গুৱাহাটী কবি সমাজ'ৰ দ্বি-বাৰ্ষিক অধিৱেশনখন কালি উত্তৰ গুৱাহাটী সাহিত্য সভা ভৱনত অনুষ্ঠিত হয়। অনুষ্ঠানৰ প্ৰথমতে পণ্ডিতপ্ৰৱৰ আনন্দ ৰাম বৰুৱাৰ ১৩৭ সংখ্যক স্মৃতি দিৱস উপলক্ষে তেওঁৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে উত্তৰ গুৱাহাটী কবি সমাজৰ সভাপতি কেশৱ চন্দ্ৰ তালুকদাৰে আৰু অসম কবি সমাজৰ সভাপতি ৰাজীৱ কুমাৰ ফুকন আৰু উপদেষ্টা কমলেশ্বৰ ডেকাই পুষ্পাঞ্জলি অৰ্পণ কৰে। ইয়াৰ পিছতে কেশৱ চন্দ্ৰ তালুকদাৰৰ সভাপতিত্বত অনুষ্ঠিত হোৱা মুকলি সভাখন কবি সমাজৰ মহিলা সদস্যাসকলৰ দ্বাৰা পৰিৱেশিত এটা সমৱেত সংগীতেৰে শুভাৰম্ভ কৰা হয়। এই সভাতে কবি কমল বৰা, কেশৱ চন্দ্ৰ তালুকদাৰ আৰু ৰঞ্জিত চৌধুৰীৰ দ্বাৰা সম্পাদিত আৰু উত্তৰ গুৱাহাটী কবি সমাজৰ দ্বাৰা প্ৰকাশিত কাব্য সংকলন 'শব্দ শিল্প' উন্মোচন কৰি দিয়া ভাষণত অসম কবি সমাজৰ সভাপতি ৰাজীৱ কুমাৰ ফুকনে 'কবিতাত গণচেতনা' শীৰ্ষক এক মনোজ্ঞ বক্তৃতা প্ৰদান কৰে। এই অনুষ্ঠানৰ লগত সংগতি ৰাখি বৃহত্তৰ উত্তৰ গুৱাহাটী অঞ্চলৰ তিনিগৰাকী প্ৰবীণ সাহিত্য কৰ্মী ক্ৰমে বেণুধৰ বসুমতাৰী, ৰঞ্জিত চৌধুৰী আৰু হৰিচৰণ দলৈক বিশেষ সম্বৰ্ধনা প্ৰদান কৰা হয়। ইয়াৰ পিছতে আমন্ত্ৰিত চাৰিগৰাকী কবি ক্ৰমে ৰাজকমল চাংকাকতি, নিপামণি বৰদলৈ, অৰুণধৰ বৰুৱা আৰু উৎপল তালুকদাৰে স্বৰচিত কবিতা পাঠ কৰি উপস্থিত ৰাইজক আপ্লুত কৰে। মুকলি সভাৰ অন্তত অনুষ্ঠিত হোৱা বিষয়-বাছনি সভাত 'উত্তৰ গুৱাহাটী কবি সমাজ'ৰ আগন্তুক দুবছৰীয়া কাৰ্যকালৰ বাবে গৌৰীকান্ত কাকতিক সভাপতি আৰু প্ৰাঞ্জল শৰ্মাক সম্পাদক হিচাপে লৈ এখন শক্তিশালী পৰিচালনা সমিতি গঠন কৰা হয়। শেষত জাতীয় সংগীত পৰিৱেশনেৰে অনুষ্ঠানৰ সামৰণি পৰে।

# পূব কামৰূপ দাৰুল উলুম, ভোমোলাহাটী মাদ্ৰাছাৰ বাৰ্ষিক জলছাহ, পাগুৰী প্ৰদান সম্পন্ন

**ই-সংবাদ, বাইহাটা চাৰিআলি, ২০ জানুৱাৰীঃ** কামৰূপ জিলাৰ অন্যতম ইছলামিক শিক্ষানুষ্ঠান পূব কামৰূপ দাৰুল উলুম ভোমোলাহাটী মাদ্ৰাছাৰ উদ্যোগত বাৰ্ষিক জলছাহ, পাগুৰী প্ৰদান আৰু নতুন মছজিদৰ শুভাৰম্ভণি অনুষ্ঠান দেওবাৰে সম্পন্ন হয়। কাৰ্যসূচী অনুসৰি ফজৰবাদ সমূহীয়া ক্বোৰআন খতম আৰু খতমে ইউনুছৰ কিছতে পুৱা পতাকা উত্তোলন কৰে মুহতমিম হাফিজ, কাৰী, মৌলানা ৰমজান আলীয়ে। দিনৰ ১১ বজাত ইছলামিক কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। কুইজ পৰিচালনা কৰে বাপধন আহমেদে। সন্ধিয়া কেইবাগৰাকীও বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জ্ঞাপন কৰাৰ পিছতে শিক্ষক মজনুৰ আলীৰ সঞ্চালনাত অনুষ্ঠিত ধৰ্মীয় সভাত আমন্ত্ৰিত বক্তা হিচাপে অংশগ্ৰহণ কৰে ৰঙিয়া মৰ্কজ মছজিদৰ পেশ্ব ইমাম হাফিজ মৌলানা আচিক ফিৰদাউছ। নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে পূব কালাকুছি আমাঠা বৰ মছজিদৰ পেশ্ব ইমাম উদীয়মান কবি হাফিজ মৌলানা নুৰ আলম শইকীয়া। অনুষ্ঠানৰ আঁত ধৰে জলছাহ উদযাপন সমিতিৰ সম্পাদক ফাৰজুল হকে। নিশা বিশ্ব শান্তিৰ বাবে দোৱা প্ৰাৰ্থনাৰে সামৰণি পৰে পূব কামৰূপ দাৰুল উলুম ভোমোলাহাটী মাদ্ৰাছাৰ উদ্যোগত অনুষ্ঠিত বাৰ্ষিক জলছাহ অনুষ্ঠানৰ।

# বাইহাটা চাৰিআলি শতদল সাহিত্য সভাৰ কৃষ্ণকান্ত কলিতা নতুন সভাপতি হিচাপে নিৰ্বাচিত

**ই-সংবাদ, বাইহাটা চাৰিআলি, ২০ জানুৱাৰীঃ** কামৰূপ জিলা সাহিত্য সভাৰ অন্যতম শাখা বাইহাটা চাৰিআলি শতদল সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সভাখন যোৱা ১৮ জানুৱাৰীত সম্পন্ন হৈ যায়। বাইহাটা চাৰিআলি সাহিত্য সভাৰ সভাপতি ইউনিছ আহমেদৰ সভাপতিত্বত বাইহাটা চাৰিআলি ৰুৰেল লাইব্ৰেৰীত অনুষ্ঠিত উক্ত সভাত বাইহাটা চাৰিআলি শতদল সাহিত্য সভাৰ নতুন সভাপতি হিচাপে এমিতি একাডেমীৰ অধ্যক্ষ, আগডলা চাৰিআলি উঃ মাঃ বিদ্যালয়ৰ প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষ তথা বাইহাটা চাৰিআলি শতদল সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক কৃষ্ণকান্ত কলিতাক সৰ্বসন্মতভাৱে নিৰ্বাচিত কৰা হয়। অহা ৮ আৰু ৯ ফেব্ৰুৱাৰীত ক্ষুদ্ৰপলহা প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত হ'বলগীয়া বাইহাটা চাৰিআলি শতদল সাহিত্য সভাৰ ২৮ সংখ্যক অধিৱেশনৰ মুকলি সভাত কলিতাক কাৰ্যভাৰ অৰ্পণ কৰা হ'ব বুলি জানিবলৈ দিছে বাইহাটা চাৰিআলি শতদল সাহিত্য সভাৰ সম্পাদক প্ৰদীপ কুমাৰ ডেকাই। বাইহাটা চাৰিআলি শতদল সাহিত্য সভাৰ তৰফৰপৰা প্ৰতি বছৰে দি অহা বাইহাটা চাৰিআলি গৌৰৱ বঁটা এইবাৰ ২০২৫ বৰ্ষত প্ৰদান কৰা হ'ব কমলপুৰ সমষ্টিৰ প্ৰাক্তন বিধায়ক দৈৱশক্তি ডেকা(মৰণোত্তৰভাৱে) আৰু আগডলা চাৰিআলি হাইস্কুলৰ প্ৰতিষ্ঠাপক তথা অৱসৰপ্ৰাপ্ত সহকাৰী প্ৰধান শিক্ষক মজনুৰ আলীক। সমাগত অধিৱেশনতে এই বঁটা প্ৰদান কৰা হ'ব।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

# বাঘমাৰা চৰ ক্ৰিকেটত চূড়ান্ত মেচত জয়ী নগৰবেৰা দল

**ই-সংবাদ, শিমলীতোলা, ২০ জানুৱাৰীঃ** বাঘমাৰা চৰ প্ৰাইজমাণি ক্ৰিকেট পৰিচালনা কমিটিৰ উদ্যোগত বাঘমাৰা চৰ ছিনিয়ৰ চেকণ্ডেৰী স্কুল খেলপথাৰ প্ৰাংগণত অনুষ্ঠিত হৈ থকা ক্ৰিকেট টুৰ্নামেণ্টৰ অলপতে চূড়ান্ত খেল অনুষ্ঠিত হৈ যায়। চূড়ান্ত খেলত নগৰবেৰা ক্ৰিকেট দলে জয় লাভ কৰাৰ লগতে ৰাণাৰ্ছ আপ হয় বাঘবৰ মিলিজুলি ক্ৰিকেট দল। বিজয়ী দলে লাভ কৰে আকৰ্ষণীয় ট্ৰফীৰ লগতে প্ৰাইজমাণি হিচাপে নগদ ২৫,০০১ হাজাৰ টকা। ৰাণাৰ্ছআপ দলে প্ৰাইজমাণি হিচাপে লাভ কৰে আকৰ্ষণীয় ট্ৰফীৰ লগতে নগদ ১৫,০০০ হাজাৰ টকা। মেন অফ দ্যা ছিৰিছ খিতাপ লাভ কৰা বাঘমাৰা চৰ ক্ৰিকেট দলৰ খেলুৱৈ ছানিদুল ইছলামে প্ৰাইজমাণি হিচাপে লাভ কৰে নগদ ৪,০০১ টকাৰ লগতে ট্ৰফী এটা। চূড়ান্ত খেলৰ মেন অফ দ্যা মেচৰ খিতাপ লাভ কৰা নগৰবেৰা ক্ৰিকেট দলৰ খেলুৱৈ ৰাহুলে প্ৰাইজমাণি হিচাপে লাভ কৰে ২,০০১ টকাৰ লগতে ট্ৰফী এটা।



# হাজোত আৰম্ভ ক্ৰিকেট টুৰ্ণামেণ্ট

**ই-সংবাদ, হাজো, ২০ জানুৱাৰীঃ** হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত সন্তোৰঘাট নৱ-উদয় সংঘ আৰু পুথিভঁৰালৰ উদ্যোগত দেওবাৰৰ পৰা অনুষ্ঠিত হৈছে তৃতীয় বাৰ্ষিক প্ৰাইজমানি ক্ৰিকেট প্ৰতিযোগিতা। এই প্ৰতিযোগিতাখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে অগপ নেতা আটাউৰ ৰহমানে। অসমৰ ভিন্ন প্ৰান্তৰ কেইবাটাও আগশাৰীৰ ক্ৰিকেট দলে অংশগ্ৰহণ কৰে এই প্ৰতিযোগিতাত। এই ধৰণৰ ক্ৰীড়া প্ৰতিযোগিতাই অঞ্চলটোৰ ক্ৰীড়া প্ৰতিভাক আৰু এখোজ আগুৱাই লৈ যোৱাত সহায় কৰিব বুলি মন্তব্য কৰে উদ্বোধক আটাউৰ ৰহমানে। আনহাতে এই খেলৰ জৰিয়তে অঞ্চলটোৰ ৰাইজৰ মাজত একতা আৰু ভাতৃত্ববোধৰ এনাজৰী টনকিয়াল কৰি ৰখাৰ কথা উল্লেখ কৰে পুথিভঁৰালৰ কৰ্মকৰ্তাই। এই প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ বিশ হাজাৰ এক টকা, ট্ৰফী এটা আৰু দ্বিতীয় পুৰস্কাৰ পোন্ধৰ হাজাৰ এক টকা আৰু ট্ৰফী এটা।




কোকৰাঝাৰৰ ছাই ষ্টেডিয়ামত তিনিদিনীয়াকৈ আৰম্ভ বড়োলেণ্ড স্পৰ্টচ মীট ৩.০

## ১২০০ খেলুৱৈৰ অংশগ্ৰহণ, ষ্টেডিয়াম নিৰ্মাণৰ ঘোষণা প্ৰমোদৰ

# কোকৰাঝাৰত তিনিদিনীয়াকৈ আৰম্ভ বড়োলেণ্ড স্পৰ্টচ মীট ৩.০

**ই-সংবাদ, কোকৰাঝাৰ, ২০ জানুৱাৰীঃ** বিটিচিৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ উদ্যোগত কোকৰাঝাৰৰ ছাই ষ্টেডিয়ামত আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে আৰম্ভ হৈছে বড়োলেণ্ড স্পৰ্টচ মীট ৩.০। আজি বড়োলেণ্ড স্পৰ্টচ মীট আনুষ্ঠানিকভাৱে উদ্বোধন কৰে বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োৱে। উক্ত প্ৰতিযোগিতাখনিত বিটিআৰৰ বিভিন্ন প্ৰান্তৰ পৰা ১২০০ খেলুৱৈয়ে অংশগ্ৰহণ কৰিছে। উক্ত প্ৰতিযোগিতাখনত ফুটবল, ভলীবল, কাবাডী, এথিলেটিকছ, বড়োৰ পৰম্পৰাগত খেল, পেৰা ক্ৰীড়া অন্তৰ্ভুক্ত থাকিব। ইপিনে বড়োলেণ্ড স্পৰ্টচ মীট ৩.০ প্ৰতিযোগিতাখনি আনুষ্ঠানিকভাৱে উদ্বোধন কৰি সংবাদ মাধ্যমৰ আগত প্ৰমোদ বড়োৱে বিটিচিৰ ৪০ টা সমষ্টিত ৪০খন ষ্টেডিয়াম নিৰ্মাণ কৰা হ'ব বুলি ঘোষণা কৰিছে। ইয়াৰে ১২ খন ষ্টেডিয়াম নিৰ্মাণৰ কাম ইতিমধ্যে আৰম্ভ হৈছে আৰু বাকী থকা ২৮ খন ষ্টেডিয়াম নিৰ্মাণৰ কাম অহা মাৰ্চৰ পিছত আৰম্ভ হ'ব। তদুপৰি বাক্সা আৰু কোকৰাঝাৰত ২.৫ কোটি টকাকৈ ব্যয় সাপেক্ষে ৫০০ জন খেলুৱৈ থাকিব পৰাকৈ দুটা হোষ্টেল নিৰ্মাণ কৰা হ'ব বুলি সদৰি কৰি প্ৰমোদ বড়োৱে বড়োসকলৰ নমস্য ব্যক্তি তথা বড়ো পৰম্পৰাগত খেলক নতুন ৰূপ দিয়া চাণক্য ব্ৰহ্মৰ নামত বঁটা দিয়া হ'ব বুলি ঘোষণা কৰিছে। আজিৰ উদ্বোধনী অনুষ্ঠানত বিটিচিৰ কাৰ্যবাহী সদস্য ক্ৰমে দাওবৈছা বড়ো, সজল সিংহ, অসম ফুটবল সন্থাৰ সাধাৰণ সম্পাদক সাংগ্ৰাং ব্ৰহ্ম, উপ সভাপতি কবিৰঞ্জন ব্ৰহ্ম উপস্থিত আছিল।

# অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ প্ৰথম ৰাউণ্ডত ষ্টাৰ স্প'ৰ্টিং ক্লাবৰ জয়

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ২০ জানুৱাৰীঃ** অসম ক্ৰিকেট সন্থাৰ সৌজন্যত নগাঁও ক্ৰীড়া সংস্থাৰ ব্যৱস্থাপনাত নুৰুল আমিন ষ্টেডিয়ামত চলি থকা সপ্তম অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ নগাঁৱৰ প্ৰথম ৰাউণ্ডৰ খেলত আজি ডিফেণ্ডিং চেম্পিয়ন ষ্টাৰ স্প'ৰ্টিং ক্লাবে বঢ়মপুৰ স্প'ৰ্টছ ক্লাবক তিনি উইকেটত পৰাজিত কৰে। খেলখনত বঢ়মপুৰ স্প'ৰ্টছ ক্লাবে দলে টছত জিকি পোনতে বেট ধৰি কৌশিক কলিতাৰ-২২ ৰাণৰ উল্লেখনীয় বৰঙনিৰে ২৪.৩ অভাৰত সকলোকেইটা উইকেট হেৰুৱাই ৬৮ ৰাণ সংগ্ৰহ কৰে। বলিঙত ষ্টাৰ স্প'ৰ্টিং ক্লাবৰহৈ আচিফ ৰাচিমুল হকে পাঁচটা, অক্ষয় কুমাৰ ডেকাই তিনিটা আৰু ৰাহুল ইছলামে দুটা উইকেট দখল কৰে। প্ৰত্যুত্তৰত ষ্টাৰ স্প'ৰ্টিং ক্লাব দলটোৱে চাহিল আলিৰ-২৫, ভাৰ্গৱজ্যোতি দাসৰ-২২ আৰু সৌৰভ কুমাৰ সাহাৰ অপৰাজিত-১৪ ৰাণৰ উল্লেখনীয় অৱদানৰে ১৬.৫ অভাৰতে সাতটা উইকেটৰ বিনিময়ত ৬৯ ৰাণ সংগ্ৰহৰে বিজয় লক্ষ্যত উপনীত হয়। বলিঙত বঢ়মপুৰ স্প'ৰ্টছ ক্লাবৰ হৈ ৰাজদ্বীপ ভাৰালে ছটা আৰু প্ৰসেনজিৎ সৰকাৰে এটা উইকেট পায়। বিশ্বজিৎ বৰ্ধন আৰু দুলাল আহমেদ আম্পায়াৰৰূপে থকা খেলখনৰ অন্তত ষ্টাৰ স্প'ৰ্টিং ক্লাবৰ আচিফ ৰাচিমুল হকক প্ৰাক্তন ক্ৰিকেটাৰ কল্যাণ শৰ্মাই প্লেয়াৰ অব দ্যা মেচৰ বঁটা বিতৰণ কৰে। নগাঁও ক্ৰীড়া সংস্থাৰ মৃনাল কুমাৰ হাজৰিকাই জানিবলৈ দিয়ামতে, মঙলবাৰৰ খেলত কামপুৰ ষ্টুডেণ্ট এথলেটিকে অল্লান গোষ্ঠীৰ বিৰুদ্ধে খেলিব।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি